চাঁদমামা

মার্চ ১৯৮৪

যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!
"মা, মা অনিলৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক বোলা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো। মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"ফৰহেন্স ফ্লোৰাইড সোণকণ।"
"এৰা ঠিকেই! মই কলো, তুমি ইয়াক ভাল বুলি কোৱা, সেয়ে মই ব্যৱহাৰ কৰো। ময়ো খুউব ভালপাও!"
"সঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
"ও ঠিকেইতো! আৰু মা, অলপ চকোলেট কেক খাওনে? শোৱাৰ আগতে আকৌ ব্ৰাছ কৰিম! হবনে মা?"
ফৰহেন্স
সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট দাঁত আৰু আলু-দুয়োৰে সুৰক্ষা কৰে
Forhan's
FOR THE GUMS
with active FLUORIDE to check tooth decay
331 F 183 ASM



Trikaya-GP 11 84 455

প্ৰৱেশ মূল্য নাই

চন্দামামা কেমেল
ৰঙৰ প্ৰতিযোগিতা

পুৰস্কাৰ লাভ কৰক :
কেমেল
১ম পুৰস্কাৰ ১৫ টকা
৩টি দ্বিতীয় পুৰস্কাৰ ১০ টকা
১০টি তৃতীয় পুৰস্কাৰ ৫ টকা
১০ খন প্ৰমাণপত্ৰ

এই প্ৰতিযোগিতা ১২ বছৰ পৰ্য্যন্ত বয়সৰ লৰা-ছোৱালীৰ কাৰণে মুকলি থাকিব। ওপৰত দেখুৱা চিত্ৰখন সম্পূৰ্ণৰূপে কেমেল ৰঙেৰে ৰং কৰিবা আৰু তলৰ ঠিকনালৈ পঠিয়াই দিবা :
পোঃ বঃ নং ১১৫০১, নাৰীমেন পইণ্ট পোষ্ট অফিচ, বোম্বাই-৪০০ ০২১।
বিচাৰকৰ সিদ্ধান্তই হব শেষ আৰু চুৰান্ত। কোনো যোগাযোগ গ্ৰহণযোগ্য নহয়!

Name: .... Age: ....

Address: ....

....

কুপনখন ভৰ্ত্তি কৰক মাত্ৰ ইংৰাজীত : 31.3.1985

VISION/CPL/84122 Ass.

যোগদান-পত্ৰ পঠিওৱাৰ শেষ তাং...

CONTEST NO. 41

...এই বিন্দুযুক্ত ৰেখাৰে কাটিব...

চান্দমামা

সংস্থাপকঃ চক্ৰপাণি

সঞ্চালকঃ বি নাগিৰেড্ডি

বিগত দুবছৰকাল ধৰি ধাৰাবাহিকভাৱে চলি থকা 'বিষ্ণুকথা'ৰ সামৰণি পৰিল। অহা সংখ্যাৰপৰা আৰম্ভ হ'ব 'শিৱ পুৰাণ'। এই সম্পৰ্কে মতামত জ্ঞাপন কৰিলে আমি কৃতজ্ঞ থাকিম। 'কাঁহৰ কিল্লা' কেনে লাগিল— পাঠক পাঠিকাসকলে লিখি জনালে আমি ভাল পাম। তেওঁলোকৰ মতামত সাদৰে গৃহীত হ'ব আৰু নিশ্চিতভাৱেই যথেষ্ট গুৰুত্ব আৰোপ কৰা হ'ব। আৰু, 'চান্দমামাৰ খুতুৰা-খবৰ' সম্পৰ্কে যিসকলে আমালৈ সপ্ৰশংস মন্তব্য লিখি পঠিয়াইছে, তেওঁলোকলৈ আমাৰ আন্তৰিক ধন্যবাদ।

অমৰ-বাণী

স্বীয়ংতপো সতী ৰূপম্ পাণ্ডিত্যম্ স্বয়স্থ চ।
মূলিকা স্বগৃহোৎপন্না ন স্তুত্যা নীতিকোবিদেঃ॥

[নিজৰ তপস্যাৰ কথা, নিজ-পত্নীৰ ৰূপ, নিজ-পুত্ৰৰ পাণ্ডিত্যৰ কথা আৰু নিজৰ বাৰীত ওপজা ফলমূল সম্পৰ্কে দহোৱাইজৰ আগত নিজমুখেৰে প্ৰশংসা কৰিব নাপায়।]

বছৰঃ ৯ মাৰ্চ ১৯৮৫ সংখ্যাঃ ১২

খনে : ২·০০ টকা : বছৰেকীয়া বৰঙণি : ২৪·০০ টকা

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
সুপৰ
रिन
सफ़ेदी की चमकार
RIN
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক— আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS HRN 88 2016 AC

ঘৰুৱা বুদ্ধি

ৰাজপুৰ গাঁৱৰ শিৱনাথে গাঁৱত এটা ধুনীয়া অট্টালিকা সাজিলে; কিন্তু তেওঁৰ জীৱনজোৰা শ্ৰমৰ ধনৰ সৰহভাগেই খৰচ হৈ গ'ল। নিজৰ উপাৰ্জিত ধনেৰে সজা এই অট্টালিকাৰ প্ৰতি তেওঁৰ আছিল সীমাহীন মোহ। এদিন শিৱনাথৰ পৰিবাৰ সৰলাই ক'লে, "গাঁৱৰ ভালেমানে একেলগে কাশীলৈ যাবলৈ ওলাইছে। ঘূৰা-ফুৰা কৰাৰ তথা বিভিন্ন লোকৰ সৈতে মিলাজুলা কৰাৰ এনে সুযোগ সদায় নাহে। আমিও ওলাব পাৰোঁ দেখোন। জীৱনতো ক'লৈকো যোৱা নহ'ল। এইবাৰ ফুৰিবলৈ ওলাবানেকি?"

শিৱনাথে বিৰক্তিৰে ক'লে, "তুমি বলিয়া হ'লানেকি? কেৱল কাশীলৈ যোৱা-অহা কৰোঁতেই ভালে কেইমাহমান লাগিব। দিন-কাল বৰ বেয়া, কেতিয়া কি হৈ যায়—কোনে ক'ব পাৰে?"

গিৰিয়েকৰ কথা শুনি সৰলাৰ খং উঠিল। সৰলাই ক'লে, "তোমাৰ জীৱ এই ঘৰটোতে পোত খাই পৰা যেন পাওঁ। ল'ৰাহঁতে কিমান দূৰণিবটীয়া ঠাইত চাকৰি কৰিছেগৈ। এই ঘৰটোৰ প্ৰতি সিহঁতৰ মৰমো নাই, কোনো দায়িত্বো নাই। সকলো দায়-দায়িত্ব তোমাৰহে। ঘৰটো বেচি সিহঁতৰ ওচৰত থাকিবলৈ কিমান কয় তোমাক সিহঁতে, তুমি সিহঁতৰ কথালৈ কাণসাৰকে নকৰা। এতিয়াও যদি সুবুদ্ধি হয় তোমাৰ—ভালেই হ'ব। ঘৰটো বেচি—নিঃচিন্ত মনেৰে জীৱনৰ বাকী কালছোৱা তীৰ্থলৈ ওলাই ধৰ্ম-কৰ্ম কৰিব পাৰোঁ দেখোন।"

'জ্ঞানদাস'

"শুনা, ভালকৈ শুনি থোৱাঁ—" শিৱনাথে দৃঢ়তাৰে ক'লে, "মই কোনো অৱস্থাতে কেতিয়াও এই ঘৰটো নেবেচোঁ।"

তথাপি সৰলাই ক'লে, "তুমি জীৱনতো মোক ক'লৈকো লৈ যোৱা নাই। সদায় কিবা নহয় কিবা অজুহাত। এতিয়া এই ঘৰ। এতিয়ালৈকো আমি ফুৰা-চকা কৰিব পৰা হৈ আছোঁ, পাছত এইকণ সামৰ্থ্যো নাথাকিব। তেতিয়া তো আন কোনোবাই এই ঘৰটোৰ দায়িত্ব ল'ব। হয়নে নহয়? —মোৰ ভাইটোক, বা তোমাৰ ভাগিনক ঘৰটোৰ চোৱা-মেলা কৰিবলৈ ক'লে নকৰিবনে?"

এই কথা শুনি একেবাৰে তিতাকেঁহা লাগি গ'ল শিৱনাথৰ। শিৱনাথে খঙতে কৈ উঠিল, "নহয়, নহয়—নহয়। মই আন কাৰোবাক এই ঘৰৰ দায়িত্ব নিদিওঁ।" তাৰ পাছত হঠাৎ কথাৰ ছেও সলাই কৈ উঠিল, "তুমি সঁচাসঁচিকৈয়েই তীৰ্থস্থানলৈ বুলি ওলাব খুজিছানে? বাৰু, ওলাম বাৰু।" এই বুলি কৈয়েই শিৱনাথ ঘৰৰপৰা ওলাই গ'ল।

গিৰিয়েকে এই কথা কোৱাত সৰলা অবাক হ'ল। কিন্তু সৰলাই বৰ ভাল পালে। শিৱনাথে ঘৰৰপৰা ওলাই পোনে পোনেই এজন মহাজনৰ কাষ চাপিলে। তেওঁ মহাজন বৰদাকান্তক ক'লে, "চাওক, মই পৰিবাৰক লৈ তীৰ্থ ফুৰিবলৈ ওলাম। তাৰ কাৰণে অলপ টকা লাগে। মোৰ ঘৰটো বন্ধকত লৈ টকা দিব পাৰিবনে?"

শিৱনাথৰ কথা শুনি মহাজনে বৰ ৰং পালে। মহাজনে তাৰ মনৰ ভাৱ মুখেৰে প্ৰকাশ নকৰি ক'লে, "ঘৰটো বন্ধকত থৈ টকা ল'ব কিয়? সুত ভৰিব লাগিব, ঠিক সময়ত টকা সুতে-মূলে পৰিশোধ কৰিব নোৱাৰিলে ঘৰটো মোৰ হৈ যাব। তাতকৈ ঘৰটো বেচি দিয়ক।

শিৱনাথে বিৰক্তিৰে ক'লে, "চাওক, আপুনি যদি ঘৰটো বন্ধকত লৈ টকা

দিব নোৱাৰে, কৈ দিয়ক, মই আন মহাজনৰ ওচৰলৈ যাওঁ।"

"এস্‌' মই নিদিম বুলি ক'লোঁ ন? পিছে—তীৰ্থলৈ ওলালে দুই-তিনি হাজাৰ টকাৰে একো নহ'ব। লাগিলে মই পাঁচ হাজাৰো দিম।" মহাজনে ক'লে।

মহাজনৰপৰা টকা পাঁচহাজাৰ লৈ, তেওঁ পোনে পোনেই তেওঁৰ ভাগিন তাৰিণীৰ ওচৰলৈ গ'ল, আৰু তাক ক'লেগৈ, "হেৰা তাৰিণী, তুমি কিছুদিনৰ আগতে ক'ৰবাত মাটি ল'বা বুলি কৈছিলা, আৰু তাৰ কাৰণে বৰদাকান্তৰপৰা টকা খুজিছিলাগৈ। মাটি ল'লানে?"

তাৰিণীৰে বিমৰিষ ভাৱে ক'লে, "বৰদা মহাজনেও সিমান টকা নিদিয়া হ'ল আৰু সুতো বেছিকৈ খুজিলে। এতিয়া-লৈকো মই মনস্থিৰ কৰিব পৰা নাই।"

"ঠিক আছে, লাগিলে মই তোমাক পাঁচ হাজাৰ টকা এতিয়াই দিব পাৰোঁ। আমি তীৰ্থলৈ ওলাম দুই-চাৰিদিনতে। চৰ্ত হ'ল—আমি উভতি অহাৰ পাছত শতকৰা এটকা হিচাপে সুত ভৰি মূল টকাখিনিও পৰিশোধ কৰিব লাগিব।" শিৱনাথে ক'লে।

শিৱনাথৰ চৰ্ত মানি লোৱাত শিৱনাথে টকা পাঁচ হাজাৰ তাৰিণীক দিলে।

গিৰিয়েক উভতি অহাৰ লগে লগে সৰলাই ক'লে "তীৰ্থলৈ ওলাবা যে ঘৰটো চোৰা-চিন্তাৰ দায়িত্বনো কাক দিবা? আৰু—ইমান টকা যে লাগিব, ক'ত পাবা? ধাৰ-ধুৰ কৰিবানে কি?"

"ইমান সোধ-পোছ কৰিবলগীয়া একো নাই। তীৰ্থলৈ ওলাবা—ওলোৱা। মোক ইমানেই দায়িত্বহীন বুলি ভাবা যদি—নোলোৱাই ভাল।" শিৱনাথে ক'লে।

শিৱনাথৰ এই কথাৰ উত্তৰত সৰলাই একো নকৈ মনে মনে থাকিল।

এসপ্তাহৰ পাছত অন্যান্য তীৰ্থযাত্ৰীৰ লগ লাগি সস্ত্ৰীক শিৱনাথো ওলাল।

তাৰ পাছত, কাশী আৰু অন্যান্য বহু তীৰ্থস্থান দৰ্শন কৰি, ছমাহৰ অন্তত পুনৰ ঘৰলৈ উভতি আহিল। সৰলাই প্ৰতিটো কোঠা চালি-জাৰি চাই লৈ গিৰিয়েকক ক'লে, "ছমাহ এই ঘৰটোত কোনো নাছিল বুলি কোনে ক'ব? প্ৰতিটো কোঠা একেবাৰে চাফ-চিকুণ হৈ আছে, যেনিবা আজি ৰাতিপুৱাতেহে চিকুণোৱা হৈছে। মইতো প্ৰতিটো কোঠাতে মকৰা, পঁইতাচোৰা আদিয়ে ৰাজত্ব চলোৱা বুলিহে ভাবিছিলোঁ। কুঁৱাটোৰ পানী ছুবলৈকো ঘিণ লাগি যাব বুলি ভাবিছিলোঁ। কিন্তু—"

"কিন্তু এই কৃতিত্ব মোৰ নহয়—" শিৰনাথে টপৰাই কৈ উঠিল, "সকলো কৃতিত্ব বৰদা মহাজনৰহে।"

"তাৰ মানে—?" সৰলাই অবাক হৈ গিৰিয়েক চালে।

"চোৱাঁ, মই বৰদা মহাজনৰ ওচৰত ঘৰটো বন্ধকী হিচাপে থৈ তাৰপৰা টকা পাঁচ হাজাৰ ধাৰলৈ লৈছিলোঁ। বৰদাই ভাবিছিল, ইমান দূৰলৈ ওলাইছোঁ যেতিয়া, এই বুঢ়া কালত—বাটতে মৰিম। আৰু—কেনেবাকৈ তীৰ্থৰপৰা উভতি আহিব পাৰিলেও মই ইমান টকা সুত-মূলে পৰিশোধ কৰিব নোৱাৰিম। তীৰ্থলৈ ওলোৱাৰ আগতে মই বৰদাক ঘৰৰ চাবি দি গৈছিলোঁ যাতে প্ৰতিদিন ঘৰটো চাফা-তাফা কৰে তাৰ বাবে।" শিৰনাথে হাঁহি মাৰি ক'লে।

"কিন্তু—" সৰলাই চিন্তিত ক'লে, "কিন্তু ইমান টকা এতিয়া দিবা কেনেকৈ বৰদা মহাজনক?"

তেতিয়া শিৰনাথে তাৰিণীৰ কথাটোও ভাঙি-পাতি ক'লে সৰলাক। শিৰনাথৰ ঘৰুৱা বুদ্ধিৰ কথা ভাবি সৰলাৰ মনত শিৰনাথলৈ আগতকৈয়ো অধিক শ্ৰদ্ধা তথা আস্থা উপজিল।





২

মাহিষ্মতী দেশৰ ৰজা যশোবৰ্ধনে তেওঁৰ দুই পুত্ৰৰ মাজত সৰুজনক অৰ্থাৎ গুণবৰ্ধনক সিংহাসনত অধিষ্ঠিত কৰিব বুলি ভাবিলে। কিন্তু বীৰপুৰৰ সামন্তৰজা সূৰ্য্যবৰ্মাৰ আপত্তিৰ ফলত ৰজা যশোবৰ্ধন দোধোৰ-মোৰত পৰিল। সূৰ্য্যবৰ্মাই ৰজা যশোবৰ্ধনৰ ডাঙৰ পুত্ৰ অৰ্থাৎ ডাঙৰ ৰাজকোঁৱৰক সিংহাসনত অধিষ্ঠিত কৰাৰ পক্ষপাতী। তেতিয়া কুচক্ৰী গুণবৰ্ধনে আন সামন্তৰজা ধূৰ্ত সৰ্পকেতুৰ সহায় ল'লে সূৰ্য্যবৰ্মাক হত্যা কৰিবলৈ। সৰ্পকেতুৰ অনুচৰইঁতে সূৰ্য্যবৰ্মাক সূৰ্য্যবৰ্মাৰ ৰাজ্যৰ এক গভীৰ অৰণ্যত অতৰ্কিতে আক্ৰমণ কৰিলে।

তাৰ পাছত……

তেওঁ যে শত্ৰু-পৰিবৃত হৈ পৰিছে, সূৰ্য্যবৰ্মাই সেই কথা মুহূৰ্ততে উপলব্ধি কৰাৰ লগে লগে শত্ৰু কোন—তাৰো উমান ল'ব পাৰিলে। শত্ৰুইঁতে তেওঁক আগুৰি ধৰি চিঞৰি থাকিল—'মাৰা, মাৰি পেলোৱা, একেবাৰে খতম্ কৰি দিয়া। সূৰ্য্যবৰ্মা জীয়াই থাকিলে তোমালোকৰ আৰু নিস্তাৰ নাই'। এই কথাবোৰ কওঁতাক সূৰ্য্যবৰ্মাই ভালেকৈয়েই চিনি পাইছিল। হাতত তৰোৱাল



মোক হত্যা কৰাৰ পাছত সৰ্পকেতুহঁতে নিশ্চয় বীৰপুৰ অধিকাৰ কৰিব। গতিকে অৱিলম্বে পুত্ৰ চন্দ্ৰবৰ্মালৈ বাতৰি পঠাব লাগে। কিন্তু কেনেকৈ, কাৰ যোগেদি যে বাতৰি পঠাব, তাকেহে ভাবি উলিয়াব নোৱাৰিলে তেওঁ। কেনেবাকৈ চন্দ্ৰবৰ্মাক খবৰটো পঠাব পৰাহেঁতেন চন্দ্ৰবৰ্মাই যে সৰ্পকেতুক জোখে-জোখাৰে আদাৰিলেহেঁতেন—সেই কথাত সূৰ্য্যবৰ্মাৰ মনত অলপো সন্দেহ নাছিল। পুত্ৰ চন্দ্ৰবৰ্মাই যে সৰ্পকেতুক এটা সাপমৰাদি মাৰিব পাৰিব—এই কথাতো সামন্ত সূৰ্য্যবৰ্মা আছিল সম্পূৰ্ণ নিঃসন্দেহ।

দাঙি লৈ সূৰ্য্যবৰ্মাই শত্ৰুহঁতৰ পিনে আগুৱাবলৈ ধৰিলে। তেওঁৰ তৰোৱালৰ আঘাতেৰে কাৰোবাৰ মূৰ, কাৰোবাৰ হাত কটা গ'ল। কিন্তু সূৰ্য্যবৰ্মাই অধিক সময়লৈ এই কাম কৰিব নোৱাৰিলে। আচম্বিতে চাৰিজন অস্ত্ৰধাৰীয়ে তেওঁক চাৰিফালৰপৰা আগুৰি ধৰিলে। সৰ্পকেতুৱে তাৰ অনুচৰহঁতক আদেশ-নিৰ্দেশ দি থাকিল। তেওঁ যে আৰু অধিক সময়লৈ জীয়াই থাকিব নোৱাৰিব—এই কথা সূৰ্য্যবৰ্মাই অতি পৰিষ্কাৰভাৱে উপলব্ধি কৰিলে। হঠাৎ তেওঁৰ মনত পৰিল পুত্ৰ চন্দ্ৰবৰ্মাৰ কথা। সূৰ্য্যবৰ্মাই ভাবিলে:

"সুবাহু! সুবাহু!" বুলি চিৎকাৰ কৰি উঠি, সূৰ্য্যবৰ্মাই শত্ৰুপক্ষীয় এক অশ্বাৰোহীক তৰোৱালেৰে ঘপিয়াই, আন এটা এজন শত্ৰু সৈন্যৰ ঘোঁৰাটাৰ বুকু ফালি পেলালে। আৰু ঠিক তেতিয়াই বহু দূৰৰপৰা এক কণ্ঠস্বৰ বাহি আহিল: আহিছোঁ—আহিছোঁ, ৰ'ব অলপ—আৰু অ-ল-প-মান ৰ'ব!"

এই কথা শুনাৰ লগে লগে সূৰ্য্যবৰ্মাই ক'লে, "তুমি আৰু মুহূৰ্তমানো পলম নকৰি পোনে পোনেই বীৰপুৰলৈ গৈ চন্দ্ৰবৰ্মাক—"

কিন্তু কথাষাৰ শেষ কৰাৰ আগতেই



শত্ৰুপক্ষৰ ডেগাৰে তেওঁৰ কণ্ঠস্বৰক স্তব্ধ কৰি পেলালে। পাছমুহূৰ্ত্ততে তেওঁ ঘোঁৰাৰ পিঠিৰপৰা তললৈ বাগৰি পৰিল আৰু তেতিয়া সৰ্পকেতুৰ ছদ্মবেশী সৈন্যহঁতে তেওঁক তৰোৱালেৰে ক্ষত-বিক্ষত কৰিলে।

সৰ্পকেতুৱে গগনফলা চিঞৰ মাৰি ক'লে, "সৌ মানুহটোক ধৰঁ, সি নিশ্চয় চন্দ্ৰবৰ্মাক খবৰ দিবলৈ বীৰপুৰলৈ গৈ আছে—ধৰঁা—ধৰি আনাগৈ তাক।"

লগে লগে চাৰি-পাঁচজন অনুচৰে সুবাহুক ধৰি আনিবলৈ ঢপলিয়াই গ'ল। সুবাহু আছিল সূৰ্য্যবৰ্মাৰ বিশ্বস্ত সহচৰ। সৰুৰেপৰাই সি সূৰ্য্যবৰ্মাৰ লগত ভাঁৰ দৰে আছিল। তাৰ প্ৰখৰ বুদ্ধি আৰু সাহসে তাক সামন্তৰজা সূৰ্য্যবৰ্মাৰ প্ৰিয়-পাত্ৰ কৰি তুলিছিল।

সূৰ্য্যবৰ্মাক ৰক্ষা কৰাটো কোনোপধ্যেই সম্ভৱ নহয় বুলি যেতিয়া সুবাহুৱে বুজি পালে, তেতিয়া তাত আৰু কালক্ষেপ নকৰি চন্দ্ৰবৰ্মাৰ ওচৰলৈ ৰাওণা হ'ল। শত্ৰুপক্ষৰ অশ্বাৰোহীহঁতৰ মাজেদিয়েই বিজুলী গতিৰে সুবাহু ওলাই গ'ল আৰু পাহাৰৰ কাষেদি তীব্ৰ গতিৰে গৈ থাকিল ঘোঁৰাৰ পিঠিত উঠি।

ঘোঁৰাটোৱো বিজুলী গতিৰে চেকুৰি আছিল, কিয়নো সুবাহুৱে বীৰপুৰলৈ যাবলৈ হ'লে কেইবাটাও পাহাৰ পাৰ হৈ যাব লাগিব।

এইদৰে বহুপৰলৈকে ঘোঁৰা চেকুৰি যোৱাৰ অন্তত সুবাহুৱে পিছলৈ ঘূৰি চালে। তাৰ পিছে পিছে কেইবাটাও শত্ৰুসৈন্য ঘোঁৰাত উঠি আহি থকা দেখা পালে সি। সিহঁতে যে তাক ধৰিবলৈকে আহিছে সেই কথা ধুৰুপ। সুবাহুৱে তাৰ ঘোঁৰাটোক বায়ুবেগেৰে চেকুৰি যাবলৈ নিৰ্দেশ দিলে।

কিন্তু পাহাৰুৱা বাটেদি দ্ৰুতগতিৰে ঘোঁৰা চলোৱাৰ বিপদো নথকা নহয়; আনহাতে—শত্ৰুসৈন্য আৰু তাৰ মাজত

যথেষ্ট দূৰত্ব বঢ়াব নোৱাৰিলেও বিপদ। কিয়নো, তেতিয়া তাক কঁড়িয়াই মাৰি পেলাব সিহঁতে। সেই দেখি সুবাহুৱে দ্ৰুততম গতিৰে ঘোঁৰা চলাবলৈ প্ৰাণটাকি চেষ্টা কৰি থাকিল।

সুবাহুৱে যিকথা ভাবিছিল, সেয়েই হ'লগৈ। হঠাৎ—কিছু দূৰত এডাল কাঁড় এচটা শিলৰ গাত লাগি উফৰি পৰিল। কিন্তু কথা আচৰিতেই, কাঁড়ৰ আঘাতেৰে শিলচটা ছুটুকুৰা হৈ গ'ল!

সুবাহুৱে আগতকৈয়ো দ্ৰুতগতিৰে তাৰ ঘোঁৰাটো চকুৰাই থাকিল। পিছে—তাক ধৰিবলৈ সৰ্পকেতুৰ অনুচৰহঁতেও মৰি-মুজি যুঁজি থাকিল। জাউৰিয়ে জাউৰিয়ে কাঁড় সুবাহুৰ চাৰিওপিনে বৰষুণ পৰাদি পৰি থাকিল। যি কি নহওক—সুবাহুৱে আপ্ৰাণ চেষ্টা কৰাৰ ফলত শত্ৰুসৈন্য আৰু তাৰ মাজত ব্যৱধান অলপ বাঢ়িল।

সুবাহুৱে গৈ থকা বাটছোৱা আছিল বৰ ঠেক। অলপ ইফাল-সিফাল হ'লেই পাহাৰৰ দ' খাদলৈ পৰি যাব পাৰে ঘোঁৰাৰে সৈতে। সুবাহুৱে আকৌ পিছলৈ ঘূৰি চালে ঘোঁৰাটোক মুহূৰ্তমানৰ বমাই। সৰ্পকেতুৰ অনুচৰহঁতে তেতিয়ালৈকো তাৰ পিছ এৰা নাছিল।

অলপ সময়ৰ পাছত সাঁজ লাগি ভাগিল। আকাশত জোন ওলাল।

হঠাৎ সেই স্তিমিত জোনৰ পোহৰত সুবাহুৱে অলপ আগতে পাৰ হৈ অহা শত্ৰুসৈন্যক আহি থকা দেখা পালে। এতিয়া সৰ্পকেতুৰ অশ্বাৰোহী অনুচৰহঁতৰ আৰু তাৰ দূৰত্ব অলপ কমি গৈছে, এতিয়া সিহঁতে কাঁড় এৰিলেই তাৰ গাত বিন্ধিবহি পাৰে।

আৰু ভাবোঁতে ভাবোঁতেই সুবাহুৰ ঘোঁৰাটোৰ গাত এডাল কাঁড়ে বিন্ধিলেহি। ঘোঁৰাটোৱে আৰ্তনাদ কৰি আগঠেং দুটা ওপৰৰ ফালে দাঙিলে আৰু তাৰ পাছত ঘোঁৰাটো পাহাৰৰ গাত মূৰ আফালি একাষত বাগৰি পৰিল। লগে লগে সুবাহুও বাগৰি পৰিল। আওঢলীয়া পাহাৰৰ গাত বাগৰি বাগৰি সুবাহুৱে এজোপা গছৰ এটা ডালত থাপ মাৰি ধৰি পেলালে। ডালটোক টানকৈ ধৰি থাকিল সি। তিনমানতে তাৰ পোছাক পাতি ফাটি গৈছিল। তাৰ দেহাৰ ভালেমান ঠাইত আঘাত লগাত তাৰপৰা তেজ বিৰিঙি ওলাইছিল।

সুবাহুৱে গছৰ ডালত ধৰি কথমপি ৰক্ষা পৰিল প্ৰত্যক্ষ মৃত্যুৰপৰা; কিন্তু তাৰ ঘোঁৰাটো বাগৰি বাগৰি ক্ষত-বিক্ষত হৈ গভীৰ খাদলৈ পৰি গ'ল। আৰু পাছ মুহূৰ্ততে সুবাহুৱে হাত-চাপৰি আৰু অট্টহাঁহিৰ বিকট শব্দ শুনিলে। শত্ৰুহঁতে তাক মৰা বুলি ভাবি যে আনন্দ প্ৰকাশ

কৰিছে—সুবাহুৱে বুজি পালে।

সুবাহুৱে ভাবিলে ঃ কিন্তু এতিয়া যদি মই লৰ-চৰ কৰোঁ, সিহঁতে মোক দেখা পাওক-নাপাওক, শব্দ শুনিয়েই কঁড়িয়াব। —এই কথা ভাবি সি গছৰ ডালতে ধৰি থাকিল আৰু একেবাৰে লৰচৰ নকৰা হ'ল। লৰচৰ কৰিলে যে তাৰ গাতো কাঁড় বিন্ধিবহি, সেই কথাত সি নিঃসন্দেহ।

জোনৰ পোহৰ উজ্জ্বল হ'ল। এই পোহৰৰ মাজত শত্ৰুসৈন্যৰ গতিবিধিলৈ লক্ষ্য কৰি থাকিল সুবাহুৱে। সৰ্পকেতুৰ অনুচৰহঁতে তেতিয়া সুবাহু আৰু তাৰ ঘোঁৰাটো বাগৰি পৰা ঠাইত থিয় হৈ আছিল। তাক শত্ৰুহঁতে দেখা পাব বুলি ভাবি সুবাহু আতংকিত হৈ পৰিছিল।

এনেতে সুবাহুৱে সিহঁতৰ আনন্দধ্বনি শুনিলে। আৰু পাছ মুহূৰ্ত্ততে সিহঁতে ওভোতা বাট ল'লে, সুবাহুৱেও স্বস্তিৰ উশাহ এৰিলে। তাৰ দেহৰ বহু ঠাই ক্ষত-বিক্ষত, তথাপি, এই মুহূৰ্তত তাৰ দেহ যেনিবা একেবাৰে যন্ত্ৰণাবিহীন হৈ পৰিল। সুবাহুৱে ভাবিলে ঃ আপাততঃ মই নিৰাপদ। কিন্তু সূৰ্য্যোদয়ৰ আগতেই—যেনেকৈয়েই নহওক—এই পাহাৰ পাৰ হৈ চন্দ্ৰবৰ্মাক সংবাদ দিব লাগিবগৈ। আৰু তাৰ পাছত—তাৰ পাছত সৰ্পকেতুৰ বিহদাঁত উভালি পেলাব লাগিব।

শত্ৰুসৈন্য অদৃশ্য হোৱাৰ লগে লগে সুবাহু উঠি থিয় হ'ল। তাক এতিয়া দেখাত ভিখাৰীহেন লাগিছিল। তাৰ পোছাক-পাতিও ফটা-ছিঙা, দেহৰ বিভিন্ন ঠাইৰপৰা তেজ বিৰিঙি ওলাইছিল। সি এজোপাৰ গছৰ পাত ছিঙি আনি, হাতেৰে পিহি-চেপি ৰস উলিয়াই সেই ৰস আহত ঠাইবিলাকত লগাই দিলে। তাৰ পাছত—এতিয়া কি কৰিব কোন বাটেদি যাব—এইবোৰ কথা ভবি থকোঁতেই হঠাৎ তাৰ কাণত পৰিল নাহৰফুটুকীৰ গৰ্জন।

এই গৰ্জন শুনি সুবাহু বিস্মিত হ'ল।

তেতিয়াহে তাৰ মনত পৰিল যে এই পাহাৰেৰে আগুৰা অৰণ্যাঞ্চল বাঘ, নাহৰফুটুকী আৰু কুকুৰনেচীয়াৰ আবাস-স্থল। তেতিয়াহে মনত পৰিল যে এই অঞ্চলত বিৰাট বিৰাট বিষধৰ সাপৰো অভাৱ নাই। কিন্তু এতিয়া আত্মৰক্ষা কৰিবলৈ আনকি এপাট অস্ত্ৰও তাৰ হাতত নাই। ঘোঁৰাটো উভাল খাই বাগৰি পৰোঁতেই তাৰ হাতত থকা অস্ত্ৰও খাদৰ ভিতৰত উফৰি পৰিছিলগৈ।



অলপ চিন্তা কৰি চাই, এজোপা গছৰপৰা ঠাল এটা ভাঙি লৈ সুবাহুৱে অত্যন্ত সতৰ্কভাৱে ঠাইটুকুৰাৰ ইফালে-সিফালে চাবলৈ ধৰিলে।

কোনফালেদি গ'লে যে বীৰপুৰ পাবগৈ—সুবাহুৱে নজনা নহয়। অতি সাৱধানতাৰে আগবাঢ়ি গৈ গৈ, মাজনিশা পাহাৰৰ শেষ সীমাত অবস্থিত এখন গাঁও পালেগৈ সুবাহুৱে। গাঁৱৰ এটা ঘৰৰপৰা চাকিৰ পোহৰ ওলোৱা দেখা পালে সি, লগতে কেইজনমান মানুহৰ মাত-বোলতাৰ শব্দও ভাহি আহিল। পোনতে এইবোৰ দেখি আৰু শুনি সুবাহু উৎসাহিত হৈ উঠিল; কিন্তু পাছ মুহূৰ্তত তাৰ মনত প্ৰশ্ন জাগিল: এই দুপৰ নিশা তাতনো কি কৰিছে এই মানুহবিলাকে? এতিয়া সাৰে থকাৰ সময় নহয়। তেন্তে? কিবা —ডকাইত-টকাইতনে কি? সুবাহু আৰু অলপ আগুৱাই গ'ল আৰু তাত বহু মানুহে লৰা-ধপৰা কৰা দেখা পালে। হঠাৎ এজনে এই কথা চিঞৰি কোৱা কাণত পৰিল সুবাহুৰ: 'এতিয়ালৈকো সি তাতেই আছে, ব'লা, আমি তালৈ আগুৱাই যাওঁ ব'লা।"

কিন্তু মানুহখিনিৰ ধা-ধৰণ দেখি সুবাহুৱে সিহঁতক ডকাইত বা চোৰ বুলি ভাবিব নোৱাৰিলে। বৰঞ্চ পোছাক-পাতিৰপৰা সিহঁতক সৈন্য যেনহে লাগিল। কিন্তু ইহঁতনো কাৰ সৈন্য? বীৰপুৰৰ?

নে সৰ্পকেতুৰ ? সৰ্পকেতুৰ সৈন্য যদি— সি নিশ্চয় পুনৰ বিপদৰ চাকনৈয়াত পৰিবগৈ ?

তথাপি—

তথাপি সুবাহুৱে লাহে-ধীৰে সেই পিনে আগুৱাই গৈ থাকিল। সুবাহুক দেখা পাই এজন সৈন্যই কৈ উঠিল, "সৌৱা চোৱাঁ, এটা মগনিয়াৰ এইপিনে আহি আছে।"

তাৰ পাছত সুবাহুক সেই সৈন্যটোৱে ক'লে, "হেৰ মগনিয়াৰৰ পো মগনিয়াৰ, কালিলৈৰপৰা তোৰ আৰু মাগি খোৱাৰ দৰ্কাৰ নহ'ব। আমি ধলপুৱাতে বীৰপুৰ আক্ৰমণ কৰিমগৈ আৰু তাৰ পাছত লুটপাত কৰিম তাত বুজিছনে ? আমাৰ লগত থাকিলে—তই যি সৰকাব পাৰিবি—তোৰেই, আমি কাঢ়ি নলওঁ। যাবিনে আমাৰ লগত ?" যাবি যদি ব'ল যাওঁ।

সুবাহুৰ মনৰ বিচলিত ভাৱ মুখেৰে প্ৰকাশ নকৰি কেলেবাওৰ দৰে ক'লে, "হেঁ—যামতোন, যাম। মোক আন একো নালাগে, ভাত লাগে, ভাত খাম, আৰু অলপ নিমখ খাম—।"

তেতিয়া আন এজন সৈন্যই গাঁও-বাসীক উদ্দেশি চিঞৰি কৈ আছিল- "শুনা গাঁৱলীয়াহঁত, সৰ্পকেতু ৰজাৰ জয় সুনিশ্চিত। তোমালোকৰ মাজত যদিহে কোনোবা বীৰপুৰীয়া আছা—এতিয়াই কোৱাঁ। পাছত ধৰা পৰিলে কিন্তু কথা বেয়া হ'ব—হোঁ!"

এই কথা শুনি এজন গাঁওবাসীয়ে কৈ উঠিল, "আমি প্ৰতিজনেই প্ৰতিজনক চিনি পাওঁ। কিন্তু এই নৰাগত মগ-নিয়াৰটোক আমি কোনেও চিনি নাপাওঁ।"

এই কথা শুনাৰ লগে লগে সৰ্পকেতুৰ অশ্বাৰোহী সৈন্যহঁত সুবাহুলৈ দ্ৰুতগতিৰে আগুৱাই আহিব ধৰিলে। [অহা সংখ্যাত



উগ্ৰডকাইতৰ ওভতনি

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই পুনৰ সেই গছৰজোপাৰপৰা শ'টো নমাই আনি, কান্ধত ওলোমাই লৈ, মৰিশালিলৈ বুলি খোজ ল'লে। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, নিজৰ উন্নতিৰ বাবে প্ৰত্যেকেই অহো-পুৰুষাৰ্থ কৰা দেখা যায়। কিন্তু তোমাৰ এই শ্ৰমৰ মাজত যে আত্মোন্নতিৰ লক্ষণো নাই, সেই কথা ভাবি বেয়া লাগিছে। আনৰ উপকাৰলৈ কাম কৰিলে তাৰে উপকাৰো হ'ব পাৰে, অপকাৰ হোৱাটোও বিচিত্ৰ নহয়। এই প্ৰসংগক্ৰমে, মই তোমাক উগ্ৰশীল নামৰ ডকাইতৰ কাহিনী কওঁ শুনা। কাহিনীভাগ ভাল নাপালেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

মণিকৰ্ণিকা দেশৰ ৰজাৰ নাম সত্যেন্দ্ৰ।

'বেতাল-কথা'

এই দেশৰ এক গভীৰ অৰণ্যত উগ্ৰশীল নামৰ এক ডকাইত আছিল। উগ্ৰশীলে তাৰ দলবলেৰে সৈতে পাহাৰৰ গুহাত বাস কৰিছিল। ডকাইতি কৰিবলৈ ওলাওঁতে সিহঁতে মুখা পিন্ধিহে ওলাইছিল। তাৰ ফলত উগ্ৰশীল যে দেখাত ঠিক কেনেকুৱা—কোনেও সঠিককৈ ক'ব নোৱাৰিছিল।

উগ্ৰশীলৰ ঘৈণীয়েক নয়নাই তাই গিৰিয়েকেক ডকাইতি নকৰিবলৈ টানি অনুৰোধ কৰিছিল। তাই কৈছিল, "এইদৰে জীৱন যাপন নকৰি আমি আন দহজনৰ দৰে খাট খোৱাহেঁতেন গুহাত নাথাকি গাঁৱতে থাকিব পাৰিলোহেঁতেন।"

তাইৰ কথাৰ উত্তৰত উগ্ৰশীলে হাঁহি মাৰি কৈছিল, "তোমাৰ এই বাসনা মই কোনোদিনে পূৰাব নোৱাৰিম যেন পাওঁ। এটা ডকাইতৰ পক্ষে এই অনুৰোধ ৰক্ষা কৰাটো তাৰ আত্মহত্যাৰ নামান্তৰ।"

বিয়া কৰোৱাৰ পঁচিচ বছৰৰ পাছত উগ্ৰশীল ডকাইতে পিতৃত্ব লাভ কৰিলে। এটি পুত্ৰ উপজিল। আৰু, এই পুত্ৰটি ওপজাৰ লগে লগে উগ্ৰশীলৰ উগ্ৰতা যেনিবা জামৰি আহিল। সময়ৰ লগে লগে পুত্ৰসন্তানটিয়ে উগ্ৰশীলক 'দেউতা' বুলি মাতিবলৈ ধৰিলে। পুত্ৰ দিনে দিনে বাঢ়ি উঠাৰ লগে লগে উগ্ৰশীলৰ মনত মৰম-চেনেহো বাঢ়িবলৈ ধৰিলে। দুবছৰমানৰ অন্তত উগ্ৰশীল দস্তুৰমত সংসাৰী হৈ উঠিল। আগতে ডকাইতি কৰিবলৈ ওলাই তাৰ মিজাজ অধিক উগ্ৰ হৈছিল; এতিয়া কিন্তু সেই দিন আৰু নাই। এতিয়া সি শান্ত-সংযত। আগতে ডকাইতিৰ অন্তত দুই-তিনিদিনমান ফূৰ্তি-ফাৰ্তা কৰাৰ পাছতহে সি ঘৰলৈ উভতিছিল; এতিয়া কাম শেষ হ'লেই ঘৰলৈ লৰে। আৰু ঘৰ পায়েই পুতেকৰ লগত ৰং-ধেমালি কৰে।

এইবোৰ কথা-কাণ্ড দেখি, শুনি, এদিন তাৰ অনুচৰহঁতে কোৱাকুই কৰিবলৈ

ধৰিলে: "আমাৰ ডকাইতিৰ দিন বোধ-কৰোঁ চমু চাপি আহিল। চৰ্দাৰ আৰু আগৰ সেই চৰ্দাৰ হৈ থকা নাই, এতিয়া তেওঁ গৃহস্থ হ'ল। আমাৰ বোধ কৰোঁ ৰজাৰ ফাটেকতে আলহী হ'ব লাগিবগৈ। চৰ্দাৰৰ কথা-কাণ্ড আও-ভাও একদম সলনি হৈ গ'ল দেখিছোঁ।"

এদিন সিহঁতে উগ্ৰশীলক ক'লেগৈ, "চৰ্দাৰ, কেৱল তোমাৰহে পৰিবাৰ-পুতেক আছেনে? আমাৰো নথকা নহয়। সেই বুলি ডকাইতৰ মনত সিহঁতলৈ ইমান মৰমৰ অৰ্থ হ'ল মৰণক মাতি অনা। কথাষাৰ তুমি ভাবি চোৱা।"

কিন্তু উগ্ৰশীলে সিহঁতৰ কথালৈ মুঠেই কাণসাৰ নকৰা হ'ল।

কিছু দিনৰ পাছত দলবলৰে সৈতে উগ্ৰশীল এখন গাঁৱলৈ বুলি ৰাওনা হ'ল ডকাইতি কৰিবলৈ। ঘোঁৰাৰ পিঠিত উঠি চাৰিদিন ধৰি গৈ থকাৰ পাছত এদিন দুপৰীয়া সিহঁতে গছৰ ছাঁত জিৰণি ল'বলৈ বহিল আৰু তাতে টোপনিয়াই থাকিল।

উগ্ৰশীলে এটা সপোনত দেখিলে: তাৰ ঘোঁৰাটো হঠাৎ পিছল খাই পৰিল। লগে লগে নিজেও বাগৰি পৰিল। তাৰ ভৰি ভাগিল। সি খোঁৰাই খোঁৰাই খোজ কাঢ়িবলৈ ধৰিলে। এনেতে ৰজাৰ প্ৰহৰীহঁতে তাক খেদি আহিল। সিহঁতে উগ্ৰশীলক যাঠিৰে খুচিবলৈ ধৰিলে।

ক্ষত-বিক্ষত উগ্ৰশীল যেতিয়া যন্ত্ৰণাত ছটফটাই আছিল তেতিয়া তাৰ পৰিবাৰ আৰু পুতেক পাহাৰৰ টিঙৰপৰা জঁপিয়াই পৰি মৰিল।

উগ্ৰশীলে আৰ্তনাদ কৰি উঠিল। সি সাৰ পাই গ'ল। সি ঘামিবলৈ ধৰিলে। সি ভাবিলেঃ সপোন যদি কেতিয়াবা দিঠক হয়—তেনেহ'লে তাৰ জীৱনৰ সাৰ্থকতানো কি?

এই কথা ভাবি সি তাৰ অনুচৰহঁতক ক'লে, "ব'লা, আমি উভতি যাওঁগৈ।"

"কিয় চৰ্দাৰ! ডকাইতি কৰিবলৈ ওলাইছোঁ—কিবা উভতি যাবলৈহেনে?"

"মই তোমালোকৰ চৰ্দাৰ, এয়া মোৰ আদেশ। মোৰ আদেশ অমান্য কৰাৰ শাস্তি তোমালোকে নজনা নহয়।" উগ্ৰশীলে গম্ভীৰ কণ্ঠেৰে ক'লে।

অনিচ্ছাসত্বেও ডকাইতবিলাকে ওভোতা বাট ল'লে। সিহঁত ইমান সোনকালে উভতি অহাত সিহঁতৰ ঘৈণীয়েকহঁত ভয় খাই গ'ল কিবা অমংগলৰ আশংকাত।

সকলোটিক একগোট কৰি উগ্ৰশীলে ক'লে, "আমি মানুহ হৈ জনম লৈছোঁ; কিন্তু ইমান দিন ধৰি আমি গভীৰ অৰণ্য তথা পাহাৰৰ গুহাত জন্তু-জানোৱাৰৰ দৰেহে কটাইছোঁ। আমাৰ কুকৰ্মৰ প্ৰভাৱ আমাৰ সন্তানহঁতৰ ওপৰতো পৰিব। সেয়েহে, মই কালিলৈ তোমালোকক লগত লৈ ৰাজধানীলৈ বুলি ওলাম আৰু ৰাজপ্ৰহৰীহঁতৰ ওচৰত আত্মসমৰ্পণ কৰিম বুলি স্থিৰ কৰিছোঁ। তাৰ ফলত, আমি হয়তো ৰাজদণ্ড ভুঞ্জিবলগা হ'ম; কিন্তু আমাৰ পৰিয়াল-পৰিজনৰ ভৱিষ্যৎ মংগলজনক হ'ব। সিহঁতে মুক্তজীৱনৰ সোৱাদ ল'ব পাৰিব।"

উগ্ৰশীলৰ এই প্ৰস্তাৱ শুনি তাৰ অনুচৰহঁত বিমৰিষ হৈ পৰিল। এজনে কৈ উঠিল, "আমি আজিপৰ্য্যে যিমান অপৰাধ কৰিলোঁ, তাৰ দণ্ড হিচাপে

ৰজাই কিন্তু মৃত্যুদণ্ড বিহিব।”

“তোমালোকে মোৰ প্ৰস্তাৱ গ্ৰহণ বা ইচ্ছা হ'লে বৰ্জনো কৰিব পাৰা ; কিন্তু মই ধৰা দিম। অৱশ্যে—তোমালোকে এই বিষয়ত ৰাতিপুৱালৈকে ভাবিব পাৰা।” উগ্ৰশীলে ক'লে।

উগ্ৰশীলৰ মাজত এই বিৰাট পৰিৱৰ্তন লক্ষ্য কৰি তাৰ ঘৈণীয়েকৰ মন-প্ৰাণত আনন্দৰ নিজৰা ব'বলৈ ধৰিলে।

অনুচৰহঁতে আপত্তি দৰ্শোৱাত উগ্ৰশীল ক্ষুন্ন হৈ পৰিছিল আৰু তাৰ ফলত ৰাতি তাৰ টোপনি নহা হ'ল। হঠাৎ, মাজনিশা তাৰ কাণত পৰিল তাৰ অনুচৰহঁতৰ মাজত দুজনে কৈ থকা কথাখিনিঃ

এজন অনুচৰে কৈ আছিল, “উগ্ৰশীলৰ ল'ৰাটোৱেই হ'লগৈ আমাৰ সৰ্বনাশৰ গুৰি। চৰ্দাৰে যদি সঁচাকৈয়েই ৰাজ-প্ৰহৰীহঁতৰ ওচৰত আত্মসমৰ্পণ কৰেগৈ, তেনেহ'লে আমিও ধৰা পৰিমেই—সেই কথাত অলপো সন্দেহ নাই। গতিকে, আৰু অযথা হেঁহো-নেহো নকৰি, উগ্ৰ-শীলক এতিয়াই সপৰিয়ালে হত্যা কৰাটোহে একমাত্ৰ কৰ্তব্য।”

“মই তোমাৰ প্ৰস্তাৱত সন্মত। কিন্তু ইমানডাঙৰ কথাটো আনবিলাককো সুবিধ লাগিব।” আন এজনে ক'লে।

তাৰ পুত্ৰ পৰিয়াল তথা তাৰ নিজৰ জীৱনো যে বিপন্ন, উগ্ৰশীলে বুজি পালে। এতেকে, সি তাৰ পুত্ৰ-পৰিয়ালক ঘোঁৰাৰ পিঠিত উঠাই লৈ তেতিয়াই ৰাজধানীলৈ বুলি গৈ থাকিল।

দুদিনৰ অন্তত, গধূলিৰ আগে আগে, উগ্ৰশীলে ৰাজধানী পালেগৈ। সি তাৰ ঘোঁৰাটোক এৰি দিলে আৰু পুত্ৰ-পৰিয়ালৰে সৈতে ৰাজপ্ৰাসাদলৈ বুলি আগুৱাই গৈ থাকিল।

অৰণ্যবাসী উগ্ৰশীলে ৰাজধানীৰ জনাৰণ্য দেখি তথা অসংখ্য গাড়ী-ঘোঁৰাৰ শব্দ শুনি বৰ অস্বস্তি অনুভৱ কৰি

সি ভালকৈ বেহা-বেপাৰ কৰিও চলিব পাৰে। কিন্তু ৰাজধানীত তাৰ আচল পৰিচয় প্ৰকাশ নকৰাকৈয়ো যে সি বেছি-দিনলৈ থাকিব নোৱাৰিব, সেই কথাটোও সি উপলব্ধি কৰিলে। আত্মসমৰ্পণৰ সলনি আত্মগোপনৰ অৰ্থ হ'ব আগলৈ কেতিয়াবা ধৰা পৰিলে কঠোৰতম দণ্ডপ্ৰাপ্তি। গতিকে--এইবোৰ সাতে-সোতৰই ভাবি, অৱশেষত সি পোনে পোনেই ৰজাৰ ওচৰলৈ গৈ আত্মসমৰ্পণ কৰাটোকে খাটাং কৰিলে।

এনিশা ঘৈণীয়েক আৰু পুতেক টোপনিয়াই থাকোঁতে উগ্ৰশীল গ'ল ৰজাৰ ওচৰলৈ। ৰাজপ্ৰহৰীহঁতৰ দৃষ্টি এৰাই সি ৰজাৰ শয়নকক্ষত সোমালগৈ। কিন্তু কক্ষত সোমোৱাৰ লগে লগে কক্ষত থকা এবাটি ফলৰ মাজত তাৰ ভৰি সোমাই পৰাত সি পিছল খাই পৰিল আৰু এই শব্দ উঠাত ৰজাৰ প্ৰহৰীহঁতে 'চোৰ, চোৰ' বুলি চিঞৰি খলক লগাই দিলে আৰু উগ্ৰশীলক ধৰি পেলালে।

হৈ-চৈৰ শব্দ উঠাত ৰজাৰ টোপনি টুটিল। উগ্ৰশীলে ক'লে, "মহাৰাজ, মই চোৰ নহওঁ, চুৰি কৰিবলৈ সোমোৱা নাই মই।"

এই কথা শুনি ৰজা সত্যেন্দ্ৰই থাকিল। ৰাতিছোৱা এখন ধৰমশালাত থকাৰ বন্দৱস্ত কৰি উগ্ৰশীলে তাৰ ঘৈণীয়েকক ক'লে, "কাইলৈ ৰাতিপুৱাতে মই ৰাজপ্ৰহৰীহঁতৰ ওচৰত আত্মসমৰ্পণ কৰিম।"

তেতিয়া উগ্ৰশীলৰ ঘৈণীয়েকে ক'লে, "তুমি আমাক এৰি থৈ গ'লে আমিনো কেনেকৈ, কিহেৰে জীয়াই থাকিম? বৰঞ্চ আমাক বিষ দিয়া আৰু তাৰ পাছত তুমি যোৱাগৈ।"

ঘৈণীয়েকে কেতিয়াবা এনেকুৱা কথা ক'ব বুলি উগ্ৰশীলে কল্পনাও কৰা নাছিল। তাৰ লগত যিখিনি ধন আছে, তাৰে

প্ৰহৰীহঁতক ক'লে, "তাৰ ওচৰত যদি অস্ত্ৰ-টস্ত্ৰ আছে—কাঢ়ি লোৱাঁ।"

কিন্তু প্ৰহৰীহঁতে উগ্ৰশীলৰগৰা কোনো অস্ত্ৰ বিচাৰি নাপালে।

তেতিয়া ৰজাই প্ৰহৰীহঁতক ক'লে, "তাক ইয়াত থাকিবলৈ দিয়াঁ, আৰু তোমালোক গুচি যোৱাঁ।"

প্ৰহৰীহঁত গুচি যোৱাৰ পাছত ৰজাই উগ্ৰশীলক ক'লে, "চুৰি কৰিবলৈ সোমোৱা নাছিলা যদি—কি কামত শয়নকক্ষত সোমাইছিলাহিনো ?"

উগ্ৰশীলে তলমূৰ হৈ ৰজা সত্যেন্দ্ৰক ক'লে, "মহাৰাজ, মোৰ অপৰাধৰ দণ্ড প্ৰত্যক্ষভাৱে আপোনাৰপৰা গ্ৰহণ কৰিবলৈহে মই আপোনাৰ কক্ষত সোমাইছিলোঁহি। ৰাজপ্ৰহৰীহঁতৰ ওচৰত আত্মসমৰ্পণ কৰাহেঁতেন সিহঁতে মোৰ পুত্ৰ-পৰিবাৰকো নগুৰ-নাগতি নকৰাকৈ নিশ্চয় নেৰিলেহেঁতেন।" এই বুলি কৈ, তাৰ পাছত উগ্ৰশীলে তাৰ জীৱন-বৃত্তান্ত ৰজাক ভাঙি-পাতি ক'লে।

উগ্ৰশীলৰ জীৱন-বৃত্তান্ত শুনাৰ অন্তত ৰজাই এটি সৰু মোনা উগ্ৰশীলৰ হাতত দি ক'লে, "উগ্ৰশীল, এই মোনাটোত এশ স্বৰ্ণমুদ্ৰা আছে, তুমি লৈ যোৱাঁ। অহা বছৰ ঠিক এই দিনত তুমি মোক

যি

এই স্বৰ্ণমুদ্ৰাখিনি ওভোতাই দিবা। মোৰ এই কথা মনত ৰাখিবা।"

তাৰ পাছত তেওঁ প্ৰহৰীহঁতক মাতি ক'লে, "তোমালোকে এওঁক অতি যত্নেৰে ৰাজআলিলৈ লৈ যোৱা আৰু এওঁক সসন্মানে এৰি দিয়া।"

ৰজাৰ নিৰ্দেশমতে প্ৰহৰীহঁতে উগ্ৰশীলক ৰাজপথত এৰি দিলেগৈ।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, ৰজা উগ্ৰশীলে দুৰ্দান্ত ডকাইটোক দণ্ড দিয়াৰ পৰিৱৰ্তে পুৰস্কৃত কৰিলে কিয়—মই একেবাৰেই বুজা নাই। উগ্ৰশীলৰ

দৰে ভয়ংকৰ ডকাইতক ৰজায় ভয় নকৰিব পাৰে ; কিন্তু সাধাৰণ ৰাইজে নিশ্চয় ভয় কৰিবলগীয়া কথা। কথা মাথোন ইমানেই নহয়। উগ্ৰশীলে যেনিবা আত্মসমৰ্পণ কৰিলে আৰু সৎজীৱনলৈ খোজ ল'লে ; কিন্তু তাৰ অনুচৰহঁত কিন্তু সেই গভীৰ অৰণ্যতে থাকি গ'ল। সিহঁতে সিহঁতৰ মাজতে এটাক সৰ্দাৰ পাতি লৈ পুনৰ ডকাইতি কৰিব নিশ্চয় ? গতিকে—ৰজা সত্যেন্দ্ৰই অবিবেচকৰ দৰে কাম কৰা যেনহে লাগে। যি কি নহওক—মোৰ এইবোৰ প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্বেও তুমি যদি সঠিকৈ উত্তৰ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "আত্মসমৰ্পিত ডকাইত উগ্ৰশীলক দণ্ড নিবিহি ৰজা সত্যেন্দ্ৰই যথেষ্ট বুদ্ধিমত্তা, বিবেচনা বোধ তথা দূৰদৰ্শিতাৰ পৰিচয় দিছিল। অপৰাধীক তাৰ অপৰাধ সম্পৰ্কে সচেতন কৰি তোলাটোহে শাস্তি প্ৰদানৰ উদ্দেশ্য, অত্যাচাৰ কৰা নহয়। সেই কাৰণেই আত্মসমৰ্পণকাৰী উগ্ৰশীলক ৰজাই ক্ষমা কৰিলে আৰু তাক সোণৰ মোহৰ দিলে সৎজীৱন যাপনলৈ উদ্বুদ্ধ কৰিলে। ৰজাৰ এই কাৰ্যৰ আঁৰত আন এটা উদ্দেশ্যো আছিল এয়ে যে—উগ্ৰশীলৰ দৃষ্টান্ত অনুসৰণ কৰি তাৰ অনুচৰহঁতেও হয়তো এদিন উগ্ৰশীলৰ দৰেই আত্মসমৰ্পণ কৰিবহি পাৰে। গতিকে—ৰজা সত্যেন্দ্ৰৰ কাৰ্যক অবিবেচিত বা তেওঁক অবিবেচক বুলি কোৱা অসংগত হ'ব। বৰঞ্চ ৰজা সত্যেন্দ্ৰৰ কাৰ্য্য যথেষ্ট পৰিমাণে বিচক্ষণতাৰহে পৰিচায়ক।"

এই বুলি কোৱাৰ লগে লগেই বেতালে সেই শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল [কল্পিত

দৰব আৰু তাৰিজ

সুবোধ বল্লভপুৰ গাঁৱৰ অধিবাসী। তাৰ তাৰ ঘৈণীয়েকৰ নাম আছিল সুশীলা। এদিন সিহঁতাহালৰ পাঁচ বছৰীয়া ল'ৰাটো বেমাৰত পৰিল। এইখন গাঁৱত ভাল চিকিৎসক নাছিল। গতিকে—চিকিৎসক এজনক মাতি আনিবলৈ সুবোধ চুবুৰীয়া গাঁৱলৈ গ'ল। এই চিকিৎসকগৰাকী আছিল খুব নামকৰা। তেওঁ সুবোধ ল'ৰাটোৰ কাৰণে এক সপ্তাহৰ দৰৱ দিলে। কিন্তু তথাপি সুবোধৰ ল'ৰাটো ভাল হৈ নুঠিল।

ইমান নাম-ডাক থকা চিকিৎসকৰ দৰবেও যেতিয়া গুণ নিদিলে, তেতিয়া সুশীলাৰ চিন্তা বাঢ়ি গ'ল আৰু চিকিৎসকৰ ওপৰত তাইৰ বিশ্বাস কমি গ'ল। তাই তাইৰ গিৰিয়েকক ক'লে, "চোৱা, আমাৰ গাঁৱৰ গোসাঁনীৰ পুৰোহিতে যি তাৰিজ দিয়ে, তাৰে প্ৰত্যক্ষ ফল পোৱা যায়। প্ৰতি শুকুৰবাৰে শুকুৰবাৰে গোসাঁনীৰ উপাসনাৰ পাছত তেওঁ তাৰিজ-কৰচ দিয়ে। বহু দূৰ-দূৰণিৰপৰাও তেওঁৰ ওচৰলৈ মানুহ আহে। তুমিও সুধীৰৰ কাৰণে এটা তাৰিজ লৈ আহাগৈ।"

"শুনা—একেবাৰে জধামূৰ্খহঁতেহে পুৰোহিতৰপৰা তাৰিজ-কৰচ লয়গৈ। ইহঁত হ'ল অন্ধ-বিশ্বাসী। দৰবে যিটো বেমাৰ ভাল কৰিব নোৱাৰিলে, এটা তাৰিজে সেই বেমাৰ ভাল কৰিব বুলি তুমি ভাবানে? মই বৰঞ্চ পুনৰ সেই চিকিৎসকগৰাকীৰ ওচৰলৈ যাওঁ—দৰবো লৈ আহোঁগৈ।" সুবোধে ক'লে।

তাৰ পাছত সুবোধ পুনৰ সেই

বল্লভ বৰুৱা

চিকিৎসকৰ ওচৰলৈ গ'ল। চিকিৎসকৰ পৰিবাৰো দীৰ্ঘকাল ধৰি অসুস্থ হৈ আছিল। তেওঁৰ নিজৰ পৰিবাৰকো দৰবেৰে ভাল কৰি তুলিব নোৱাৰি সুবোধহঁতৰ গাঁৱৰ সেই পুৰোহিতৰ ওচৰলৈ গ'ল পৰিবাৰৰ কাৰণে তাবিজ বিচাৰি। এই ঘটনাৰ কথা শুনি সুবোধ অবাক নহ'ল—হতবাক হ'ল। সুবোধে পুৰোহিতৰ ঘৰলৈ বুলি খোজ ল'লে। পুৰোহিতৰ তাত তেতিয়া মানুহৰ খদমদম। চিকিৎসককো তাতেই পালে সুবোধে, আৰু তাতেই তাৰ ল'ৰাটোৰ অৱস্থাৰ কথা চিকিৎসকক ক'লে।

চিকিৎসকে মোনাটোৰপৰা কিবা এটা দৰব উলিয়াই সুবোধক দিলে তাৰ ল'ৰাটোৰ বাবে। সাতদিন খাব লাগিব। সাতদিনৰ পাছত ল'ৰাটোৰ অৱস্থা পুনৰ জনাব লাগিবগৈ। সুবোধে চিকিৎসকৰপৰা দৰব লোৱাৰপাছত ক'লে,"হেৰি ডাঙৰীয়া, আপুনি এগৰাকী নামবৰা চিকিৎসক হৈ তাবিজ ল'বলৈ ইয়াত বহি আছেহি কিয় বুজা নাই।"

"তাবিজৰ প্ৰতি মোৰ বিশ্বাস থকা-নথকা বৰ ডাঙৰ কথা নহয়। আচল কথা হ'ল—তাবিজৰ প্ৰতি মোৰ পৰিবাৰৰ শ্ৰদ্ধা বিশ্বাস আছে, মোৰ দৰবৰ প্ৰতি একেবাৰে নাই। দৰবৰ ক্ষেত্ৰত, বিশ্বাস থকা-নথকাটো এক গুৰুত্বপূৰ্ণ বিষয়। সেই কাৰণে মই তাবিজ ল'বলৈ ইয়ালৈ আহিছোঁ।" চিকিৎসকে ক'লে।

সুবোধ তেতিয়া চিকিৎসকৰ লগত আলোচনাত ব্যস্ত হৈ আছিল, সুবোধৰ পৰিবাৰে সেই ছেগতে পুৰোহিতৰপৰা তাবিজ লৈ আহিছিলগৈ, আৰু ল'ৰাটোৰ হাতত পিন্ধাই দিছিল। সাতদিনৰ অন্তত সুবোধৰ ল'ৰাটো ভাল হৈ উঠিল।

সুবোধে ভাবিলে দৰবৰ গুণত, তাৰ পৰিবাৰে ভাবিলে তাবিজৰ বলত।



দানৰ মহিমা

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, বোধিসত্ত্বই তেওঁৰ ওচৰত কোষাধিকাৰীৰ কাম কৰিছিল। বোধিসত্ত্ব নিজেই আশী কোটি মুদ্ৰাৰ গৰাকী, কিন্তু তথাপি তেওঁৰ মনত বৈৰাগ্য। ইমান ধনেৰে তেওঁ কি কৰিব? ধন মানে যে সুখ নহয়—জানে তেওঁ। তেওঁ তেওঁৰ এই ধন ৰজা ব্ৰহ্মদত্তক দিব খোজাত ৰজা ব্ৰহ্মদত্তই ক'লে, "মোৰ মাজত ধনলোভ নাই। গতিকে—তোমাৰ ধন তুমিয়েই খৰচ কৰা।"

তেতিয়া বোধিসত্ত্বই ছখন অন্নদান-কেন্দ্ৰ স্থাপন কৰি তাত প্ৰতিদিন অসংখ্য দৰিদ্ৰ মানুহক খুৱাবলৈ ধৰিলে। এই পুণ্যৰ ফলত বোধিসত্ত্ব মৃত্যুৰ পাছত স্বৰ্গলৈ গৈছিল আৰু স্বৰ্গৰাজ্যত তেওঁ ইন্দ্ৰৰ পদ প্ৰাপ্ত হৈছিল।

বোধিসত্ত্বৰ পুত্ৰয়ো পিতৃৰ পদাংক অনুসৰণ কৰি, পুণ্যাৰ্জনৰ বলত, চন্দ্ৰৰূপে জন্ম গ্ৰহণ কৰিব পাৰিছিল! চন্দ্ৰৰ পুত্ৰ হ'লগৈ সূৰ্য্য। সূৰ্য্যৰ পুত্ৰ হ'ল মাতলি, আৰু মাতলিৰ পুত্ৰ পঞ্চশিখাগ্নি হৈ জনমি, পুণ্যকৰ্মাদি অব্যাহত ভাৱে চলাইছিল আৰু তেওঁ দেৱত্ব লাভ কৰিছিল।

কিন্তু পঞ্চশিখাগ্নিৰ পুত্ৰৰ আমোলত তেওঁলোকৰ বংশ নিৰ্মূল হৈ গ'ল। কিয়নো, পঞ্চশিখাগ্নিৰ পুত্ৰই আশী কোটি মুদ্ৰাৰ গৰাকী হোৱা সত্বেও পিতৃপুৰুষে স্থাপন কৰি থৈ যোৱা প্ৰতিখন অন্নদান কেন্দ্ৰ অপ্ৰয়োজনীয় দান বুলি গণ্য কৰি বন্ধ কৰি দিছিল।

মাথোন সিমানেই নহয়, তেওঁ এইবোৰ

'জাতক-কথা'

অন্নদান-কেন্দ্ৰ অপব্যয়ৰ নামান্তৰ বুলি ভাবি কেন্দ্ৰসমূহ জুইৰে পুৰি ভস্ম কৰি পেলাইছিল।

তেতিয়া দৰিদ্ৰ লোকসকলে পঞ্চশিখাগ্নিৰ পুত্ৰক ক'লেহি, "আপোনাৰ উপৰি-পুৰুষসকলে আমাৰ কাৰণে স্থাপন কৰি থৈ যোৱা এইবোৰ অন্নদান-কেন্দ্ৰ বন্ধ কৰাটো আপোনাৰ পক্ষে অতিশয় অনুচিত হ'ল।"

পঞ্চশিখাগ্নিৰ পুত্ৰ মচ্ছৰিকোশে ভিক্ষুক-দৰিদ্ৰহঁতৰ এই অপ্ৰিয় সত্য কথাৰ উত্তৰত সিহঁতক হোৰাই-নোহোৰাই গালি পাৰি তাৰপৰা তৎক্ষণাৎ বিতাড়িত কৰিলে।

মচ্ছৰিকোশেও কিন্তু ৰজাৰ অধীনত কোযাধিকাৰীৰ চাকৰি কৰিছিল। কিন্তু তেওঁ কোনোদিনে আনকি পেট পূৰাই খোৱা-বোৱাও নকৰিছিল। তেওঁৰ নিজৰ আৰু পৰিয়ালৰ সকলোটিৰ কাপোৰ-কানিও আছিল একেবাৰে ফটা-ছিঙা আৰু লেতেৰা।

এদিন ৰাজসভালৈ যাওঁতে মচ্ছৰিকোশ উপকোষাধিকাৰীৰ ঘৰলৈ গ'ল এটা কামত। তাত গৈ তেওঁ দেখিলে যে—উপকোষাধিকাৰীয়ে সপৰিয়ালে পিঠা-পায়স খাই আছে। মচ্ছৰিকোশৰো লোভ হ'ল এইবোৰ খাবলৈ। কিন্তু বহু বাৰ কোৱা সত্বেও মচ্ছৰিকোশে তাত নাখালে। তেওঁ মনতে ভাবিলেঃ আজি যদি লোভত পৰি ইয়াত পায়স-পিঠা খাওঁ, কেইদিনমানৰ পাছত ইহঁতকো নিমন্ত্ৰণ কৰিব লাগিব। আজি মই অকলেই খাম, আৰু ইহঁতৰ ল'ৰা-বুঢ়া আটাইবিলাকক খুৱাই মৰিম। এই কথা ভাবি, বাৰে বাৰে অনুৰোধ কৰা সত্বেও মচ্ছৰিয়ে উপকোষাধিকাৰীৰ ঘৰত পিঠা-পনা একো নাখালে।

কিন্তু পাছত জোখে-জোখাৰে পায়স-পিঠা খোৱাৰ প্ৰচণ্ড লোভ তেওঁৰ মনত অতিশয় তীব্ৰ হৈ উঠিল।

কিন্তু খায়নো ক'ত ? আৰু কেনেকৈ ? ঘৰত যদি বনাবলৈ কয়—ঘৰৰ আটাই-বিলাকক খুৱাব লাগিব। বৰ খৰচৰ কথা হ'ব।

তেনেহ'লে ?

উপায় কি ?

দিনে-নিশাই মনৰ মাজত এই একেটা চিন্তাই মচ্ছৰিকোশক একেবাৰে খুলি খুলি খাবলৈ ধৰিলে।

এদিন মচ্ছৰিকোশৰ পত্নী বৎসলাই তেওঁক বৰ চিন্তাগ্ৰস্ত যেন দেখি সুধিলে, "আপোনাৰ কি হ'ল মোক ক'বনে ? দিনে-নিশা—সদায় কি কথাতনো আপুনি ইমান চিন্তিত আৰু পীড়িত ?"

তেতিয়া মচ্ছবিকোশে তেওঁৰ পত্নীক সকলো কথা ভাঙি-পাতি ক'লে।

বৎসলাই ক'লে, "আমি ইমানেই দুখীয়ানে যে এদিন পিঠা-পনাও খাব নোৱাৰিম ? মই কালিলৈ সমগ্ৰ কাশীৰ ৰাইজক যথাযোগ্যভাৱে পিঠা-পায়স খুউৱাৰ বন্দৰস্ত কৰিছোঁ। এই কথাত আপুনি আৰু চিন্তিত নহ'ব।"

"ইমান মানুহক খুৱাবা যদি তুমি তোমাৰ দেউতাৰাৰপৰা ধন খুজি লৈ আহাঁগৈ। মই খুৱাব নোৱাৰিম।" মচ্ছৰিয়ে খঙতে গোৰগোৰাই উঠি ক'লে।

বৎসলাই ক'লে, "ঠিক আছে, ইমান মানুহক খুৱাব নালাগে। আমাৰ গাঁৱৰ মানুহখিনিক খুৱাম। তথাপি যদি আপোনাৰ মত নাই—কেৱল আমাৰ ঘৰৰ সকলোটিয়ে পিঠা-পায়স খাব পৰাকৈ বন্দৰস্ত কৰি দিব।"

"ঘৰৰ সকলোটিয়ে খোৱাৰ দৰকাৰনো কি ?" মচ্ছৰিয়ে ক'লে।

"বাৰু, অপুনি আৰু মই খাম।" বৎসলাই ক'লে।

"তোমাৰো তো খোৱাৰ আৱশ্যক নেদেখোঁ।" মচ্ছৰিয়ে ক'লে।

"ঠিক আছে, কেৱল আপোনাৰ কাৰণেই



বান্ধি দিম।" পত্নীয়ে ক'লে।

"এহোঁ, নহ'ব।" মচ্ছৰিকোশে ক'লে, "ঘৰত কেৱল মোৰ কাৰণে পিঠা-পনা বনালে কথা বেয়াহে হ'ব। তাতকৈ এটা কাম কৰাঁ। বস্তুখিনি জোখে-জোখাৰে গোটাই-পিটাই দিবা মোক, মই হাবিৰ মাজত গৈ, তাতে বনাই খম।"

বৎসলাই সকলো বস্তু গোটাই-পিটাই দিলে। মচ্ছৰিকোশে তেওঁৰ লগুৱা এটাক লগত লৈ হাবিলৈ গ'ল। হাবি পাই, লগুৱাটোক মচ্ছৰিয়ে ক'লে, "তই সৌ তাত, নৈৰ পাৰত থিয় হৈ থাকগৈ যা। কোনোবা আহে যদি—মোক চিঞৰি ক'বি। লাগিলে মই তোক মাতিম, নহ'লে তয়ো নাহিবি।"

ইন্দ্ৰই তেওঁৰ এই ষষ্ঠ উত্তৰপুৰুষ সম্পৰ্কে, বিশেষকৈ তেওঁৰ কৃপণতাৰ সম্পৰ্কে জানিব পাৰি ভাবিলে: মোৰ পঞ্চম উত্তৰপুৰুষলৈকে প্ৰত্যেকেই দানধৰ্ম কৰি দেৱত্ব লাভ কৰিছিল। কিন্তু এই মচ্ছৰিকোশ—এওঁ যে ঠিক কি—ঠাৰৰ কৰিব পৰা নাই। অন্নদান-কেন্দ্ৰ বন্ধ কৰাৰ পাপ তো আছেই, কৃপণতাৰ পাপেও এওঁক স্পৰ্শ কৰিলে। নৰকৰ বাহিৰে আন ক'তো এওঁৰ ঠাই নহ'ব।"

তাৰ পাছত ইন্দ্ৰই চন্দ্ৰ, সূৰ্য্য, মাতলি, পঞ্চশিখাগ্নি প্ৰমুখক মতাই অনাই এই বিষয়ে আলোচনাৰ অন্তত, ব্ৰাহ্মণৰ ছদ্মবেশত মচ্ছৰিক ক'লেগৈ, "তুমি দেখিছোঁ ৰান্ধোনতে ব্যস্ত হৈ আছা। কাশীলৈ কেনেকৈ যাম ক'ব পাৰিবানে?"

"কাশীলৈ যাবা যদি ইয়ালৈ মৰিবলৈ আহিলা কেলেইহে? যোৱা, গুচি যোৱা ইয়াৰপৰা।" মচ্ছৰিকোশে খঙতে একোনাই হৈ ক'লে।

"এহ্! ইমান খং নকৰিবাচোন! হেৰা বোপা, বোলোঁ—কোনোবা ব্ৰাহ্মণক খুৱাবলৈ পিঠা পায়স বনাইছানেকি? ময়ো তো ব্ৰাহ্মণেই, বহি দিওঁনে?"



"মই তোমাক খাবলৈ দিম বুলি কোনে কৈছেহে? যোৱা, গুচা, গুচি যোৱা ইয়াৰপৰা।" মচ্ছৰিয়ে ক'লে।

"অকলশৰে সকলোখিনি খাব নাপায়। কণামাত্ৰ হলেও ব্ৰাহ্মণক খুৱাইহে খাব লাগে। দান কৰিলে স্বৰ্গলৈ যাব পাৰিবা।" ব্ৰাহ্মণে ক'লে।

"ভাল বিপাঙত পৰিলোঁ! ঠিক আছে, বহাঁ তেন্তে, ৰন্ধা হওক, দিম অলপ।" মচ্ছৰিকোশৰ কথাত ব্ৰাহ্মণ তাত বহিল।

অলপ পাছত চন্দ্ৰও তাত ওলালহি ব্ৰাহ্মণৰ বেশত। মচ্ছৰিকোশে বাধ্যত পৰি তেওঁকো তাত বহিবলৈ ক'লে।

তাৰ পাছত ইজনৰ পাছত সিজনকৈ সূৰ্য্য, মাতলি পঞ্চশিখাগ্নি আদিও ব্ৰাহ্মণৰ ছদ্মবেশত তালৈ গ'ল। পিঠা-পায়স ৰন্ধাৰ পাছত মচ্ছৰিয়ে ব্ৰাহ্মণকেইজনক ক'লে. "হাবিৰপৰা কলপাত লৈ আহাঁগৈ, এতিয়াই তোমালোকক খাবলৈ দিম।"

তেওঁলোকে বিৰাট কলপাত পাৰি লৈ খাবলৈ বহিল।

ইমান ডাঙৰ কলপাত দেখি মচ্ছৰি-কোশে ব্ৰাহ্মণকেইজনক ক'লে, "মই ইমান ডাঙৰ পাতত খাবলৈ দিব নোৱাৰিম। তোমালোকে বৰগছৰ পাত বা পাণ লৈ আহাঁগৈ।"

ব্ৰাহ্মণকেইজনে বৰ বৰ বৰপাত লৈ আহিল। পাতবিলাকৰ আকাৰ চাই মচ্ছৰিকোশ বিৰক্ত হ'ল; কিন্তু খাবলৈ দিলে। কিন্তু যিমানেই দিয়ে সিমানেই চৰুত পিঠা-পায়স ভৰপূৰ হৈ পৰে। এনেতে পঞ্চশিখাগ্নিয়ে হঠাৎ কুকুৰৰ ৰূপ ধাৰণ কৰি পিঠা-পায়স খাবলৈ চৰুৰ কাষ চাপিলে। কুকুৰটোক খেদিবলৈ গৈ কুকুৰৰ মুখত মচ্ছৰিকোশৰ হাতখন লাগিল। মচ্ছৰিয়ে ব্ৰাহ্মণসকলক ক'লে, "তোমালোকে অলপ পানী লৈ আহাঁগৈ-চোন, হাত ধুব লাগিব।"

কিন্তু ব্ৰাহ্মণসকলে মচ্ছৰিৰ কথালৈ কেৰেপো নকৰাত মচ্ছৰিয়ে ক'লে, "মই তোমালোকক খুৱালোঁ-বুৱালোঁ — আৰু তোমালোকেচোন এটোপা পানীও আনি দিব নোৱাৰা। ঠিক আছে, মই নিজেই আনোগৈ। চাবা, কুকুৰটোৱে যাতে পিঠাৰ চৰুত মুখ নিদিয়ে—চাবা।" এই বুলি কৈ, খোজ বঢ়োৱাৰ লগে লগেই কুকুৰটোৱে পিঠা-পায়সৰ চৰুত মুখ দিলেগৈ আৰু মচ্ছৰিয়ে এডাল কাঠ হাতত লৈ কুকুৰটোক খেদি গ'ল।

হঠাৎ কুকুৰটো এটা বিৰাট আকাৰৰ ঘোঁৰা হৈ গ'ল আৰু মচ্ছৰিকে খেদিবলৈ ধৰিলে। ঘোঁৰাটোৱে বাৰে বাৰে বৰণ সলাবলৈ ধৰিলে। এইবোৰ অদ্ভুত কথা-কাণ্ড দেখি ভয় খাই হাতযোৰ কৰি মচ্ছৰিয়ে ব্ৰাহ্মণসকলক ক'লে, "মোক আপোনালোকে এই ঘোঁৰাটোৰ কবলৰ-পৰা অনুগ্ৰহ কৰি ৰক্ষা কৰক!"

লগে লগে প্ৰতিজন ব্ৰাহ্মণে আৰু সেই ঘোঁৰাটোৱো নিজ মূৰ্তি ধাৰণ কৰি মচ্ছৰিৰ আগত শান্তভাৱে থিয় হ'ল। মচ্ছৰিয়ে আশ্চৰ্যান্বিত হৈ কৈ উঠিল, "তোমালোক তেন্তে—দেৱতা! দেৱতা হৈ মোৰ ওচৰলৈ আহিলা কেলেই?"

"আমি তোমাৰ পূৰ্বপুৰুষ। আমিও তোমাৰ দৰে মানুহেই আছিলোঁ। দান-ধৰ্ম কৰি দেৱত্ব আৰ্জিছিলোঁ মৃত্যুৰ পাছত। কিন্তু তোমাৰ মৃত্যুৰ পাছত তোমাৰ কাৰণে নৰকৰ বাহিৰে আন ঠাই নাই। তোমাক শুধৰাবলৈহে আমি আহিবলগীয়া হ'লোঁ। এতিয়াও পৰাৰ্থে দান-ধৰ্ম কৰাঁ, এয়ে আমাৰ অনুৰোধ তথা উপদেশ।" এই বুলি কৈ, ব্ৰাহ্মণসকল অদৃশ্য হ'ল।

বিভ্ৰান্ত-বিহ্বল মচ্ছৰিকোশ ঘৰলৈ উভতি গ'ল। তাৰ পাছত এদিন তেওঁ তেওঁৰ যথাসৰ্বস্ব দান কৰি, তপস্যা কৰিবলৈ হিমালয়লৈ গুচি গ'ল।

স্বাধীনতাৰ মুল্য

১২৩৯ চনত পচিমৰ ফালে ৰণদামামা বাজি উঠিল। পূবৰ ফালে এসময়ত ইংলেণ্ড আছিল অজেয়। কিন্তু হিটলাৰৰ জাৰ্মানিয়ে ইংলেণ্ডৰ সেই দম্ভপূৰ্ণ অৱস্থাক সলাই দিলে।

জাৰ্মানিৰ ভাগ্য-নিয়ন্তা আছিল হিটলাৰ। হিটলাৰ আছিল অত্যাচাৰী, নিৰ্মম আৰু দুমুখীয়া, বা সুবিধাবাদী নেতা। হিটলাৰে অসংখ্য ইহুদী মানুহক নিৰ্মমভাৱে হত্যা কৰিছিল।

এছিয়া মহাদেশত হিটলাৰে জাপানৰ সৈতে বন্ধুত্ব পাতিছিল। জাপানৰ ৰজা হিৰোহিতো মূলতঃ এজন শান্তিকামী আছিল। কিন্তু সেইদেশৰ কিছুমান নেতা আৰু সেনাপতি আছিল লোভী। ইতালি তেতিয়া আছিল মুছোলিনিৰ কৰতলগত। হিটলাৰে মুছোলিনিৰ লগত সন্ধি পাতিছিল।

তেতিয়া বৃটেইন আৰু আমেৰিকা ঐক্যবদ্ধ হ'ল। দ্বিতীয় বিশ্বযুদ্ধ লাগি পৰিল। ভাৰতৰ স্বাধীনতাৰ বিনিময়ত গান্ধীজীয়ে বৃটেইনক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। কিন্তু ভাৰতৰ বহুতো নেতাই গান্ধীজীৰ এই প্ৰস্তাৱ মানি নল'লে। অগত্যা ১৯৪২ চনত 'কুইট ইণ্ডিয়া' ধ্বনি উঠিল। বৃটিছ কৰ্তৃপক্ষই স্বাধীনতা-সংগ্ৰামীসকলক কাৰাগাৰলৈ নিক্ষেপ কৰিলে।

মালয়দেশ আৰু ছিংগাপুৰ আছিল তেতিয়া বৃটিছৰ অধীন। জাপানে এই দুখন দেশ আক্ৰমণ কৰিলে। চিংগাপুৰৰ পতন ঘটিল। এই ঘটনাত বৃটেইন আৰু তাৰ লগতে আমেৰিকাও অতিপাত আতংকিত হৈ উঠিল।

ভাৰতৰ অন্যতম স্বাধীনতা-সংগ্ৰামী সুভাষচন্দ্ৰ বসুদেউ বন্দী হ'ল বৃটিছৰ হাতত। তাৰ পাছত তেওঁ বৃটিছৰ দৃষ্টি এৰাই কাবুল হৈ ১৯৪৩ চনত ছিংগাপুৰ পালেগৈ। তেওঁ তাত জাপানৰ হাতত পৰাজিত ভাৰতীয় সৈন্যসকলক গোটাই লৈ, আজাদহিন্দ ফৌজ গঠন কৰি, ভাৰতৰপৰা বৃটিছক বিতাড়িত কৰিবলৈ পৰিকল্পনা কৰিলে।

নেতাজী সুভাষচন্দ্ৰ বসুৰ নেতৃত্বত আজাদ হিন্দ ফৌজ মণিপুৰৰ মাজেদি বৰ্তমান নাগালেণ্ডৰ কোহিমালৈকে আগবাঢ়ি গৈছিল। কিন্তু প্ৰয়োজনীয় অস্ত্ৰৰ অভাৱত আৰু আগবাঢ়িব নোৱাৰিলে। তদুপৰি, জাপানৰপৰা প্ৰতিশ্ৰুত সহায় পোৱা নগ'ল। ১৯৪৫ চনত অগাস্ট মাহত নেতাজী সুভাষচন্দ্ৰ বসুৰ অন্তৰ্ধান ঘটিল।



ঠিক তেতিয়া ভাৰতৰ মুছলিম লীগৰ নেতা মহম্মদ আলী জিন্নাহ্ ছাহাবে মুছলমানসকলৰ বাবে পাক্-ই-স্তান নামৰ স্বকীয়া দেশ এখনলৈ দাবী জনালে। ভাৰতৰ অসংখ্য নেতাই জিন্নাহ্ ছাহাবক এই দাবী প্ৰত্যাহাৰ কৰি লবলৈ অনুৰোধ কৰিলে। কিন্তু বৃটিছৰ সহযোগিতা পাই তেওঁ তেওঁৰ দাবীৰ প্ৰতি পূৰ্ণভাৱে অটল থাকিল।

অৱশেষত ভাৰত-বিভাগ সুনিশ্চিত হৈ পৰিল। এই ঘটনাৰ ফলস্বৰূপে সমগ্ৰ ভাৰত জুৰি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'ল। হাজাৰ হাজাৰ নিৰ্দোষ মানুহে এই সংঘৰ্ষৰ ফলত প্ৰাণ হেৰুৱালে।



ভাৰতবৰ্ষ বিভক্ত হ'ল। স্বাধীনতা-সংগ্ৰামৰ অন্যতম নেতা জৱাহৰলাল নেহৰুৱে ১৯৪৬ চনত ভাৰতৰ প্ৰশাসনৰ আংশিক দায়িত্ব গ্ৰহণ কৰিলে। অসংখ্য মানুহে তেওঁলোকৰ মাতৃভূমি তথা সা-সম্পদ ত্যাগ কৰাৰ বিনিময়ত স্বাধীন ভাৰতৰ সৃষ্টি হ'ল।

দ্বিতীয় বিশ্বযুদ্ধৰ বিখ্যাত সেনাপতি লৰ্ড মাউণ্টবেটেনক ১৯৪৭ চনত ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল পতা হ'ল। ভাৰতৰ জাতীয় কংগ্ৰেছে ভাৰত বিভাগ মানি লৈ মাউণ্টবেটেনক আনুষ্ঠানিকভাৱে জনোৱাৰ পাছত ১৯৪৭ চনৰ ১৫ অগাস্টত ভাৰতে পূৰ্ণ স্বাধীনতা লাভ কৰিলে।



ভাৰত স্বাধীন হ'ল; কিন্তু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বহুলাংশ নষ্ট হৈ গ'ল, যাৰ ফলাফল আজিলৈকো কম-বেছি পৰিব্যাপ্ত। তথাপি, স্বাধীন ভাৰতবৰ্ষই এইবোৰ অনিষ্টকাৰী প্ৰভাৱমুক্ত হৈ দিনে দিনে যে আগবাঢ়ি যাব—সেই কথাত সন্দেহ নাই।

ভেটিৰ ফেটী

প্ৰায় ষাঠি বছৰ ধৰি গাঁওবুঢ়া হিচাপে সুনামেৰে সৈতে কাম কৰাৰ পাছত হঠাৎ গোপীনাথ ঢুকাল। গাঁওবাসীয়ে গাঁৱৰ জমিদাৰক ক'লেগৈ, "গোপীনাথৰ সতি-সন্ততি একো নাই। গতিকে তেওঁৰ উত্তৰাধিকাৰীও বিচাৰি নাপাওঁ আমি। আপুনি গোপীনাথৰ দৰে সং আৰু নিষ্ঠাৱান এজনক গাঁওবুঢ় পাতক।"

জমিদাৰ ডাঙৰীয়াই গাঁওবাসীৰ অনুৰোধ ৰক্ষা কৰ ৰ প্ৰতিশ্ৰুতি দিলে আৰু তেওঁৰ দেৱ নক ক'লে, "যিজন ক্ষমত ত অধিষ্ঠিত থাকে, তেওঁক চিনাটো সহজ। কান সং আৰু কোন অসং — একমাত্ৰ কামেই সেই কথ কৈ দিয়ে। আপুনি গাঁওবুঢ়াৰ এই পদৰ বাবে এজন সং মানুহ বিচাৰি উলিয়াওক"

দেৱানে জমিদ ৰৰ কথা মতে গাঁওবুঢ়াৰ পদপ্ৰাৰ্থীসকলক তেওঁৰ লগত সাক্ষাৎ কৰিবলৈ ক'লে।

ইজনৰ প ছত সিজনকৈ দহজন প্ৰাৰ্থী আহিল। দেৱানে প্ৰতিজনৰ লগত বেলেগ বেলেগভাৱে কথা পাতিলে, আৰু নিৰ্দিষ্ট দিনত পুনৰ আহিবলৈ ক'লে।

নিৰ্দিষ্ট দিনত, জমিদাৰৰ আগত দেৱানে প্ৰাৰ্থীসকলক পৰীক্ষ লোৱাৰ বন্দৱস্ত কৰিলে। তাত দেৱ নকো উপস্থিত থাকিবলৈ কোৱা হ'ল। সেই দহজন প্ৰাৰ্থী উপস্থিত হোৱাৰ লগে লগেই জমিদাৰে নাগবৰ্মাক গাঁওবুঢ়াৰ পদত নিযুক্তি দিলে।

জমিদাৰে ক'লে, "আচলতে—তোমালোকৰ পৰীক্ষা লোৱা হৈ গ'ল। দেৱানৰ যোগেদিয়েই এই পৰীক্ষা ল'লোঁ মই। মোৰ নিৰ্দেশ মতেই দেৱানে তোমালোকৰপৰা টকা খুজিছিল দহজনৰ মাজত কেৱল নাগবৰ্মাৰ বাহিৰে প্ৰত্যেকেই দেৱানক টকা দিছিল। ঘোচ দিয়াইতে ঘোচ ল'বও নিশ্চয়। গতিকে—নাগবৰ্মাৰ বাহিৰে আন কাকনো নিযুক্ত কৰিব পাৰি এই পদত? তেওঁ যিহেতু ঘোচ দিয়া নাই, সিহেতুকে ঘোচ নল'বো তেওঁ—এই বিশ্বাসতহে নাগবৰ্মাক মই এই গুৰুত্বপূৰ্ণ পদত নিযুক্তি দিলোঁ। তোমালোকক নামাতিলোঁ, তোমালোকক ভেটিৰ ফেটীয়ে খালে।"

আজৰ ৰজা

বাসুদেৱে আমদানী ৰপ্তানী কাৰবাৰ কৰে। জাহাজেৰে লৈ যায়, জাহাজেৰে আনে। আগতে বাসুদেৱে আন এজন ব্যৱসায়ীৰ ওচৰত কাম কৰিছিল। তেওঁ অৰ্থাৎ সেই ব্যৱসায়ীজনে বাসুদেৱেৰ কামবনত তুষ্ট হৈ তাৰ জীৱনৰ উন্নতিৰ অৰ্থে বাসুদেৱক এখন জাহাজ দিছিল।

বাসুদেৱ জাহাজত উঠি ওলাল। মাজ-সাগৰত ধুমুহা উঠিল। প্ৰচণ্ড ধুমুহাত জাহাজ ডুবিল (অৱশ্যে—এই জাহাজ হ'ল আগৰদিনীয়া জাহাজ, প্ৰকাণ্ড নাও আচলতে)। জাহাজৰ নাৱিকহঁত ডুবি মৰিল। ভাগ্যক্ৰমে বাসুদেৱ ৰক্ষা পৰিল। সি সাঁতুৰি সাগৰৰ তীৰ পাইছিলগৈ।

এইটো আছিল এটা দ্বীপ। দ্বীপৰ মাজেদি অলপ খোজ কাঢ়ি যোৱাৰ পাছত বাসুদেৱে এখন নগৰ পালেগৈ। নগৰৰ অধিবাসীসকলে যেনিবা বাসুদেৱলৈ বাট চাইহে আছিল। সিহঁতে বাসুদেৱক আগুৰি ধৰি চিঞৰি ক'লে, "মহাৰাজৰ জয় হওক!"

পোনতে, বাসুদেৱ বিমূঢ় হৈ পৰিছিল। কিন্তু সেই ভাৱ প্ৰকাশ নকৰি সি ভাবিলে : এওঁলোকে মোক কিজানি আন কোনোবা বুলি ভাবি লৈছে। এওঁলোকৰ ৰজাৰ সৈতে মোৰ বোধকৰোঁ কিবা ধৰণৰ সমিলমিল আছে। নগৰৰ অধিবাসীসকলে এটা সুসজ্জিত হাতী লৈ আহিল, আৰু সেই হাতীটোৰ পিঠিত বাসুদেৱক সন্মানেৰে সৈতে বহুৱাই জয়ধ্বনিৰে গগন ফালি ৰাজপ্ৰাসাদলৈ লৈ গ'ল।

ৰাজপ্ৰাসাদত বাসুদেৱৰ স্নানাদিৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ব্যৱস্থা কৰা হ'ল। বাসুদেৱক ৰজাৰ সাজ-পাৰ পিন্ধোৱা হ'ল। তেতিয়া বাসুদেৱে তেওঁলোকক ক'লে, "চাওক, মোক আপোনালোকে চিনি পোৱা নাই কিজানি। আন কাৰোবাৰ লগত মোৰ হয়তো মিল থাকিব পায়, তথাপি মই কিন্তু সেইজন নহওঁ। ময়ো আপোনালোকক চিনি নাপাওঁ, আপোনালোকেও নিশ্চয় ভুলহে কৰিছে। এইবোৰ কথা-কাণ্ডৰ অৰ্থ মই বিচাৰি পোৱা নাই। মোৰ জাহাজ সাগৰত ডুবিল, জাহাজৰ নাবিকসকলো ডুবি মৰিল। কথমপি মই ৰক্ষা পৰিলোঁ আৰু সাঁতুৰি সাঁতুৰি আপোনালোকৰ এই দ্বীপ পালোঁহি। ইয়ালৈ অহাৰ কোন পৰিকল্পনাৰ মোৰ নাছিল। হাতত পৰিহে আহিছোঁ।"

বাসুদেৱৰ ওচৰত থিয় হৈ থকাইতৰ মাজত এজনে ক'লে, "বিছ-বাইছ বছৰ-মানৰ আগতে আমাৰ ইয়াত শাসন বোলা একো নাছিল। তেতিয়া আছিল এক অৰাজক অৱস্থা। তেনেতে এগৰাকী পৰিব্ৰাজক আহিছিল ইয়ালৈ আৰু তেওঁৱেই আমাক কৈছিল যে আমাক এগৰাকী শাসক লাগিব। 'প্ৰত্যেকেই প্ৰত্যেকৰ মনেখোৱা মতে কাম কৰি থাকিলে দেশৰ উন্নতি নহয়। তোমালোকে বহিৰাগত কাৰোবাক যদি শাসক হিচাপে অধিষ্ঠিত কৰিব পাৰা, তেনেহ'লে অধিক

উপকাৰ পাবা'। তেওঁৰ কথাত আমি ভালেই পাইছিলোঁ। তেতিয়াৰপৰা আমি বছৰেকত এবাৰকৈ বা এজনকৈ শাসক সলনি কৰোঁ। এবছৰকাল শাসন কৰাৰ অন্তত পুৰণি শাসকজনক আমি এই নগৰৰ গাতে লগা গভীৰ অৰণ্যলৈ পঠাই দিওঁ আৰু নতুন কাৰোবাক শাসক হিচপে আদৰি লওঁ। পুৰণি শাসকৰ খবৰ আমি নলওঁ। এতিয়ালৈ আমি এইদৰে বাইছগৰাকী শাসকক পাইছোঁ আৰু এৰিছোঁও। আপুনি হ'ল তেওঁৰ পৰৱৰ্তী শাসক, বা মহাৰজা।"

বাসুদেৱ বৰ চিন্তাত পৰিল। এবছৰলৈ ৰজা হৈ থকাতকৈয়ো আচল চিন্তা হ'ল পাছৰ অৰণ্যজীৱন।

অধিবাসীসকলৰ অভিৰুচিমতে, ৰজা হৈ, কিছুমানক লগত লৈ সেই গভীৰ অৰণ্যলৈ গ'ল। বাসুদেৱে সমগ্ৰ অৰণ্যাঞ্চলৰ নগৰলৈ পৰিৱৰ্তিত কৰাৰ আঁচনি ল'লে। বাসুদেৱে লক্ষ্য কৰিলে যে অতীতৰ ৰজাসকল অৰণ্যত বৰ কষ্টৰে আছে। এবছৰৰ অন্তত সিও তো ইয়াতে এইদৰে থাকিব লাগিব।

বাসুদেৱে অৰণ্য অঞ্চলক অতি সোনকালে নগৰলৈ পৰিৱৰ্তিত কৰিলে। এই ঠাইৰ মাটি আছিল বৰ সাৰুৱা। এই মাটিত বৰ ভাল শস্য উপজিছিল। বাসুদেৱৰ শাসনকালত এই নগৰ তথা দ্বীপ সকলোফালৰেপৰাই সমৃদ্ধ হৈ উঠিল। নগৰত আহল-বহল ৰাজআলি, ধৰমশালা আদি স্থাপন কৰা হ'ল। বহু দূৰ-দূৰণিৰপৰা বেপাৰীসকলে ইয়ালৈ বেপাৰ কৰিবলৈ অহা-যোৱা কৰি থাকিল।

তাৰ পাছত, এবছৰ পাৰ হোৱাৰ লগে লগে বাসুদেৱো সেই অৰণ্যলৈ গ'ল। কিন্তু অধিবাসীসকলে সৰ্বসন্মতিক্ৰমে বাসুদেৱক ওভোতাই আনিলে আৰু তাকে স্থায়ী ৰজা হিচাপে অধিষ্ঠিত কৰিলে।

বীভৎস ৰসিকতা

সদানন্দ মানুহজন ভালেই। সি কেতিয়াও কাৰো অনিষ্ট নকৰে। কিন্তু তাৰ এটা অভ্যাস আছিল বৰ মাৰাত্মক। সদানন্দই সদায় সকলোৰে সৈতে মজা মাৰি কথা কয়। তাৰ মজাই কাৰো অনিষ্ট নকৰিলেও বহুতেই অসন্তুষ্ট। সি বন্ধুহঁতৰ লগত বাটৰ কাষত বহিছিল, আৰু বাটৰুৱাহঁতৰ লগত মজা মাৰিছিল।

সদানন্দ যে সৰল মনৰ মানুহ, সেই কথা সকলোতে প্ৰচাৰ হৈ পৰিছিল। কিন্তু সেই বুলি সকলোৱে সদানন্দক সৰল মনেৰে ল'ব নোৱাৰিলে। যিহঁতৰ অসহ্য লাগি গৈছিল তাৰ এই ৰং-ধেমালি, সিহঁতেও তাক একো মাত মাতিব নোৱাৰিলে। কিয়নো, এতিয়া সদানন্দ গাঁৱৰ জমিদাৰৰ ঘৰত কাম কৰে। কোনে কিমান খৰচ কৰে তাৰ হিচাপ লোৱাটো আছিল তাৰ কাম।

গাঁৱৰ জমিদাৰে সদানন্দক বৰ ভাল পাইছিল। চাকৰি পোৱাৰ পাছত তাৰ ৰং-ধেমালি কৰাৰ মাত্ৰা চৰিহে গ'ল।

এদিন বন্ধুহঁতৰ সৈতে সদানন্দ পুখুৰী-ঘাটত বহি হাঁহি-মাতি আছিল। এনেতে আদ বয়সীয়া এজন মানুহ সেই ফাললৈ আহি থাকিল। মানুহজনৰ পিন্ধনত চোলাচুৰীয়া আছিল ; কিন্তু ভৰিত জোতা নাছিল। মানুহজন দেখাত দুখীয়া বিধৰ।

মানুহজনক দেখিয়েই সদানন্দই হাঁহি মাৰি তাৰ বন্ধুহঁতক ক'লে, "আমাৰ জমিদাৰ-ঘৰৰ কোনোবা কুটুম-কাটাম যেনহে লাগিছে।"

মানুহজনে সদানন্দৰ কাষ চাপি আহি

গাড়ীখন ওভোতাই পঠাই মই এইখন গাড়ীত উঠি আহিলোঁ। গাড়ীৰ চালকে চকা আনিবলৈ গ'ল। বাট-পথ বৰ বেয়া. অ'ত ত'ত কাঁইটো আছে। গতিকে তাক মই মোৰ চটিজোতাযোৰ দিলোঁ।"

এই কথা শুনি সদানন্দই হাঁহি মাৰি ক'লে, "তেনেহ'লি—আপ্‌নাক জমিদাৰৰ ওচৰলৈ লৈ যাওঁ? যাওঁনে?"

"ওহোঁ, ইমান লেতেৰা পোছাক পিন্ধি তেওঁৰ ওচৰলৈ নাযাওঁ। অলপ পাছত মোৰ গাড়ীখন আহিব, লগতে পোছাক-পাতিও আনিব। চালক নহালৈকে মই ক'ৰবাত অপেক্ষা কৰিম। সি অহাৰ পাছত কাপোৰ-কানি সলাই জমিদাৰৰ ওচৰলৈ যাম।" এই বুলি কৈ, মানুহজনে সেই জমিদাৰেই স্থাপন কৰা এখন ধৰমশালালৈ গ'ল।

এই ধৰমশালাত, ঘাইকৈ দৰিদ্ৰ যাত্ৰীহঁতেই থকা-মেলা কৰিছিল। অলপ ভাল অৱস্থাসম্পন্ন মানুহে এই ধৰমশালাত নাথাকে। কোনো কোনোবাই—যথাসৰ্বস্ব চুৰি হৈ গ'ল বুলি মিছাকৈ কৈ—এই ধৰমশালাত বহু দিনলৈ থাকিছিল। এওঁকো সদানন্দই তেনেকুৰা বুলি ভাবিলে।

সদানন্দই মানুহজনক সুধিলে, "তোমাৰ গাড়ীৰ কচোৱানটো কিমান দিনৰ

ক'লে, "মই যে জমিদাৰ-ঘৰলৈ গৈ আছোঁ—আপুনিনো জানিলে কেনেকৈ?"

"কিয়? তোমাৰ চাফ-চিবুণ সাজ-পাৰ দেখি? তুমি যিখন গাড়ীৰপৰা নামি আহিলা সেইখনো দামী। আটাইতকৈ ডাঙৰ কথা—তোমাক দেখিলেই জমিদাৰৰ কুটুম-কাটাম যেন লাগি যায়।"

"কথা—হওঁতে ঠিকেই কৈছে। যিখন গাড়ীত উঠি মই আহিছিলোঁ, গাড়ীখন বেছ দামী। কিন্তু মাজবাটত চকা বেয়া হোৱাত—অৰ্থাৎ ভাগি যোৱাত ময়ো গাড়ীৰপৰা বাগৰি পৰিছিলোঁ। মোৰ চোলা-চুৰীয়াত বোকামাটি লাগিল। মোৰ

ভিতৰত ইয়ালৈ উভতি আহিব?"

"কেনেকৈ কওঁ—?" মানুহজনে ক'লে।

"মোৰ গাড়িৰ কচোৱানাৰ পোছাক পিন্ধিবানে তুমি?" সদানন্দই সুধিলে।

এই কথাত মানুহজনৰ খং উঠিব লাগিছিল। কিন্তু তেওঁৰ অলপো খং-ৰাগ নকৰি সুধিলে, "মই তেন্তে আপোনাৰ ঘৰলৈকে যাওঁনে? আপুনি ভাল পোছাক-পাতি দিবনে মোক?"

সদানন্দই মানুহজনক মগনিয়াৰ বুলি ধৰি লৈ কৈ উঠিল, "মোৰ গাৰোৱানৰ পোছাক পিন্ধি গ'লে জমিদাৰে তোমাক দেখা দিব জানো?"

"তোমাৰ জমিদাৰে মোৰ পোছাক-পাতি নেদোখিব, মোকহে দেখিব। মই তেওঁৰ সৰুকালৰ বন্ধু।" মানুহজনে সদানন্দক ক'লে।

"তেনেহ'লে এই পোছাক পিন্ধি যোৱাতানো আপত্তি কিহৰ?" সদানন্দই মানুহজনক সুধিলে।

"চোৱাঁ, ভদ্ৰতা বোলা কথাও তো এযাৰ আছে। হয়নে নহয়? মন্দিৰলৈ যাওঁতে কমেও পৰিষ্কাৰ পোছাক পিন্ধি শুদ্ধ মনেৰে যাওঁ; পবিত্ৰতাৰ কথা মনত জাগে। আমি জোতা পিন্ধি মন্দিৰত নোসোমাওঁ। জমিদাৰ মোৰ বন্ধু; কিন্তু মইনো শিষ্টাচাৰ প্ৰদৰ্শন নকৰিম কিয়? ঠিক আছে, মোক জমিদাৰৰ ধৰমশালালৈ

লৈ ব'লা তেন্তে।" তেওঁ ক'লে।

"ধৰমশালা চোৰা-মেলাৰ দায়িত্বো মোৰ। কাক ধৰমশালাত থাকিবলৈ দিয়া হ'ব বা নহ'ব—কেইটামান বিষয়ৰ ওপৰত নিৰ্ভৰশীল।" সদানন্দই ক'লে।

মানুহজনে সনানন্দলৈ জিজ্ঞাসু দৃষ্টিৰে চালে। সদানন্দয়েই পুনৰ ক'লে, "প্ৰথমতে—ধৰমশালাত যিজন থাকিবলৈ বিচাৰিব তেওঁ একুৰিবাৰ উঠা-বহা কৰিব লাগিব। তাৰ পাছত দুটা গীত গাব লাগিব। গীত গোৱাৰ পাছত সৌ গছজোপাৰ চাৰিওফালে এশবাৰ পাক মাৰিব লাগিব।" কৃত্ৰিম গাম্ভীৰ্য্যৰে সদানন্দই মানুহজনক ক'লে।

মানুহজন অলপ পৰলৈ তভক খাই ৰ'ল। তাৰ পাছত তেওঁ সদানন্দক ক'লে "তুমি মোৰ লগত ধেমালি-ধুমুলা কৰিছানে জমিদাৰে সঁচাসঁচিকৈ এইবোৰ নিয়ম বান্ধি দিলে?"

"কিয় মই মিছাকৈ ক'ম? আৰু তোমাৰ লগত ধেমালি—" সদানন্দই কথাষাৰ শেষ কৰিবলৈ নৌ পাওঁতেই সি তাৰ পিছফালে স্বয়ং জমিদাৰক দেখা পাই থতমত খাই ৰৈ দিলে। জমিদাৰে মানুহজনক ক'লে, "হেৰা ৰত্নেশ্বৰ, তুমি ইয়াত—!" ৰত্নেশ্বৰে সকলো কথা ক'লে জমিদাৰ সৰ্বেশ্বৰক।

সকলো কথা শুনাৰ অন্তত জমিদাৰে ৰত্নেশ্বৰক ক'লে, "তুমি কিয় ধৰমশালাত থাকিবাহে! ব'লা ঘৰলৈ ব'লা।" এই বুলি কৈ, জমিদাৰে ৰত্নেশ্বৰক তেওঁৰ লগত লৈ গুচি গ'ল। সদানন্দ ঠাইতে থৰ হৈ থিয় দি থাকিল।

পাছদিনা সদানন্দ জমিদাৰৰ ঘৰলৈ নগ'ল। কিন্তু সেই মানুহজন অৰ্থাৎ ৰত্নেশ্বৰ আহিল সদানন্দৰ ঘৰলৈ।

সদানন্দই ভয়তে কঁপি-জঁপি ৰত্নেশ্বৰক ক'লে, "ম্—ম্—মই আপোনাক একদম চিনি পোৱা নাছিলোঁ। মো—মো—

মোক ক্ষমা কৰক।" সদানন্দ একেবাৰে কন্দনামুৰা হৈ পৰিল।

"চোৱাঁ, মই অন্য কাৰণত তোমাৰ ঘৰলৈ আহিলোঁ। ধৰমশালাত থাকিবলৈ হ'লে যিবোৰ কাম কৰিব লাগে বুলি কৈছিলা—সঁচানে? ধৰমশালাত বৃদ্ধ, শিশু, বিকলাংগ আদিও তো আহিব পাৰে। যদি মোক কোৱা নিয়মৰ কথা সঁচা, তেনেহ'লে এই অমানৱিক নিয়মবোৰ সৰ্বেশ্বৰক কৈ মই ৰদ কৰি দিম।" ৰত্নেশ্বৰে সদানন্দক ক'লে।

সদানন্দই অবাক হৈ ৰত্নেশ্বৰক ক'লে, "জমিদাৰ ডাঙৰীয়া দেখোন আপোনাৰ বন্ধু, তেনেস্থলত তেওঁক কথাষাৰ নোকোৱাকৈ আপুনি মোৰ ঘৰলৈ আহিল কিয় ক'বনে?"

ৰত্নেশ্বৰ হাঁহি মাৰি ক'লে, "তুমি মোৰ লগত ধেমালি কৰি আছিলা বুলি মোৰ ধাৰণা হৈছিল। এতিয়া—ধৰমশালাত যদি তুমি কোৱা নিয়মবোৰ নাই, আৰু মই সৰ্বেশ্বৰক এইবোৰ নিয়ম ৰদ কৰিবলৈ কওঁ তেনেহ'লে সৰ্বেশ্বৰে তোমাক কিজানি কঠোৰ শাস্তি দিলেহেঁতেন, তোমাৰ চাকৰিও নিশ্চয় নাথাকিলহেঁতেন। গতিকে তোমাৰ ওচৰলৈ আহিলোঁ।"

তেতিয়াহে সদানন্দৰ জ্ঞানোদয় হ'ল। সি যে কিমান অমানৱিক ৰসিকতা কৰিছিল, তেতিয়াহে সি বুজি পোৱা হ'ল। তাৰ এই ৰসিকতাই যে আনৰ বিৰক্তি, ভীতি তথা অসহায়তাৰো সৃষ্টি কৰিব পাৰে সেই কথাত এতিয়া আৰু তাৰ মনতো সন্দেহ নাথাকিল। সদানন্দই ৰত্নেশ্বৰক প্ৰণাম কৰিলে।

তাৰ পাছত সদানন্দই ৰত্নেশ্বৰৰপৰা ক্ষমা খুজি ল'লে।

এই ঘটনাৰ পাছত সদানন্দই আৰু কোনোদিনেই কাৰো লগত এনেকুৱা বীভৎস ৰসিকতা কৰা নাছিল।

কাকনো বুলিম ককা

ঘোঁৰাত উঠা, চিকাৰ আদিলৈ বীৰপুৰৰ জমিদাৰৰ বৰ ৰাপ। তেওঁ তেওঁৰ প্ৰজাবৰ্গৰ সুস্বাস্থ্যৰ কথা চিন্তি ভালেমান ব্যায়ামাগাৰ স্থাপন কৰিছিল। কিন্তু তেওঁৰ জমিদাৰীৰ ক'তো পঢ়াশালি নাছিল।

এবাৰ বীৰপুৰৰ জমিদাৰে গোপপুৰলৈ ফুৰিবলৈ গৈ তাত অসংখ্য পঢ়াশালি থকা দেখা পালে। প্ৰতিখন ঘৰৰ ল'ৰা-ছোৱালীহঁতে তাত পঢ়া-লিখা কৰা দেখি বৰ ভাল পালে তেওঁ। গোপপুৰৰ জমিদাৰৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা উপজিল আৰু নিজৰ জমিদাৰীত ভালেমান পঢ়াশালি স্থাপনৰ ইচ্ছা জাগিল মনত।

গোপপুৰৰপৰা উভতি আহি বীৰপুৰৰ জমিদাৰ প্ৰণবেশে তেওঁৰ দেৱানক ক'লে, "মই গোপপুৰলৈ গৈছিলোঁ। তাত অসংখ্য পঢ়াশালি আৰু প্ৰতিখন ঘৰৰ ল'ৰা-ছোৱালীহঁতে তাত পঢ়া-লিখা কৰে। আমাৰ জমিদাৰীতো পঢ়াশালি স্থাপন কৰিব লাগে। টকা যিমান আৱশ্যক—খৰচ কৰক। ভাল দৰমহাৰে ভালৰো ভাল শিক্ষক নিযুক্ত কৰক।"

কেশৱ দেৱান আছিল বৰ কৃপণ। সৰুৰেপৰাই লিখা-পঢ়ালৈ তাৰ অলপো আগ্ৰহ নাছিল। তাৰো জমিদাৰৰ দৰেই ঘোঁৰাত উঠা আৰু চিৰকাৰলৈ আগ্ৰহ। যি কি নহওক, তথাপি জমিদাৰৰ নিৰ্দেশক্ৰমে কেশৱ দেৱানে প্ৰতিখন গাঁৱতে পঢ়াশালি পাতিলে। কিন্তু প্ৰতিখন পঢ়াশালিৰ বাবে শিক্ষক পোৱা নগ'ল।

এই বিষয়ে কি কৰিব সোধাত জমিদাৰে কেশৱক ক'লে, "আমাৰ

নীলকণ্ঠ নেওগ

ব্যায়ামাগাৰ শিক্ষকহঁতক কৈ দিয়ক, তেওঁলোকে দিনত ল'ৰা-ছোৱালীহঁতক পঢ়াব, আৰু ৰাতি ব্যায়াম শিকাব লাগিব।" জমিদাৰে কোৱা মতে কাম হ'ল।

এবছৰৰ অন্তত কেশৱ দেৱানে ভাবিলে ঃ ইমান টকা খৰচ কৰি অতবোৰ পঢ়াশালি বনোৱা হ'ল, পঢ়া-লিখাৰ অৱস্থা কি— চাই অহা যাওক। —কেশৱ এখন পঢ়াশালিত সোমাল, তাত শিক্ষক তেতিয়া টোপনিয়াই আছিল, ছাত্ৰ কেইজনমানে খেলি আছিল, আৰু আন কিছুমানে চিঞৰ-বাখৰ কৰি আছিল। দুই-চাৰিজন ছাতৰে ঘুমটিও মাৰিছিল।

এইবোৰ দেখি কেশৱ দেৱানৰ উঠিল খং। সি এজন ছাতৰক টোপনিৰ-পৰা জগাই চকু পকাই সুধিলে, "এয়েনে তোমালোকৰ পঢ়া-লিখাৰ অৱস্থা? বাৰু, ৰামায়ণ আৰু মহাভাৰত কোনে লিখিছিল কোৱাচোন? ক'ব নোৱাৰিলে তোমাৰ পিঠি এই বেতেৰে ফালিম।"

এই কথা শুনি ছাত্ৰজনে ভয়তে কঁপি কঁপি ক'লে, "সেইবোৰ মই লিখা নাই।"

ছাত্ৰৰপৰা এই উত্তৰ পাই খঙতে একোনাই হৈ কেশৱে নিদ্ৰামগ্ন শিক্ষকক জগাই তুলি ক'লে, "এয়েনে শিক্ষকতা? তোমাৰ ছাতৰক সুধিলোঁ ৰামায়ণ-মহাভাৰত কোনে লিখিছিল—সি ক'লে যে মই লিখা নাই। এয়েনে তোমাৰ শিক্ষা?"

কেশৱ দেৱানক দেখা পায়েই শিক্ষকৰ বক্ষ টিপটিপাবলৈ ধৰিলে! শিক্ষকে কেশৱক নমস্কাৰ কৰি ক'লে, "মই অলপ কলমটিয়াইছিলোঁ কিজানি। আৰু এই ছেগতে সি—সেই বুৰ্বক ছাত্ৰটোৱে মজা মাৰি টোপনি মাৰিলে। নহ'লেনো আপোনাৰ প্ৰশ্নৰ উত্তৰত তেনেকৈ কয়নে সি? সি বৰ বদমাছ। ৰামায়ণ আৰু-মহাভাৰত সিয়েই লিখিছে। আৰুনো কোনে এই কাম কৰিব?"

কেশৱ দেৱান খঙতে অগ্নিশৰ্মা হৈ

প্ৰধান শিক্ষকক ক'লেগৈ সকলো কথা। কেশৱৰ কথা শুনি প্ৰধান শিক্ষকে ক'লে, "চাওক, আপোনাক দুখৰ কথা কি আৰু ক'ম। কোনোবা ছাত্ৰক অলপ মৰিয়ালেই পাছদিনাৰপৰা সি আৰু নহা হ'ব। অভিভাৱকহঁতৰো লিখা-পঢ়ালৈ কোনো আগ্ৰহ নাই। এনে অৱস্থাৰ মাজতে পঢ়াশালি চলাইছোঁ। ৰামায়ণ-মহাভাৰত যে আপুনি লিখিছে—এই সামান্য কথাষাৰো যদি সিহঁতে নাজানে, মই কি কৰিম কওক?"

পাছদিনা কেশৱে গভীৰ দুখ আৰু প্ৰচণ্ড খঙতে সৈতে জমিদাৰক সকলো বিবৰিলে। কেশৱে মন্তব্য কৰিলে, "পঢ়াশালি স্থাপন কৰা এবছৰ পাৰ হ'ল। ছাত্ৰৰ কথা বাদেই, শিক্ষক, আনকি প্ৰধান শিক্ষকেও একো নাজানে। একেবাৰে গৰু বুলিলেও বঢ়াই কোৱা নহ'ব। ৰামায়ণ-মহাভাৰত কোনে লিখিছিল—এনেবোৰ সাধাৰণ কথাও যদি শিক্ষকহঁতেই নাজানে—তাতকৈ দুখৰ কথা কি হ'ব পাৰে? অথচ যিকোনো মূৰ্খয়ো ক'ব পাৰিব যে ৰামায়ণ ৰামে লিখা আৰু মহাভাৰত ভৰতে লিখা কিতাপ।"

কেশৱ দেৱানৰ কথা শুনি বীৰপুৰীয়া জমিদাৰে গভীৰভাৱে চিন্তা কৰি ক'লে, "আপুনি এইদৰে প্ৰতিখন পঢ়াশালি ঘূৰি ঘূৰি চাওক, পৰীক্ষা কৰক, যি কৰিব লাগে কৰক। এই কামত আমাৰ চিকাৰী কুকুৰৰ ৰখীয়া আৰু ঘোঁৰাশালৰ ৰখীয়ায়ো আপোনাক বাৰুকৈ সহায় কৰিব। এই কামৰ বাবে আপুনি এলাখ টকালৈকে খৰচ কৰিব পাৰিব। টকাৰ কাৰণে চিন্তা নকৰিব।"

জমিদাৰৰপৰা এই নিৰ্দেশ লাভ কৰি কেশৱ দেৱান অত্যন্ত আনন্দিত হ'ল আৰু পঢ়শালি পৰিদৰ্শনৰ কামত পুনৰ উঠি-পৰি লাগিল।

বিষ্ণুকথা

২৪

অহিংসা শান্তি আৰু জাত্যাভিমানৰ উৰ্ধত যি সংঘ বোধিসত্বই স্থাপন কৰিছিল, সেই সংঘ ক্ৰমাত প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে। বোধিসত্বৰ বিভিন্ন আকৃতি, বিভিন্ন মূৰ্তি। তথাগত হ'ল অন্যতম। বিৰুদ্ধবাদীহঁতৰ কৰ্মকাণ্ডৰ ফলত কেতিয়াবা হিতে বিপৰীত হয়গৈ। বুদ্ধৰ আজন্ম শত্ৰু আছিল দেৱদত্ত। আন একো নহয়, কেৱল শত্ৰুতা সধাটোহে যেন দেৱদত্তৰ একমাত্ৰ ধ্যান-জ্ঞান আছিল।

গৌতম বুদ্ধ এতিয়া অতি বৃদ্ধ। কিন্তু তেওঁৰ জ্ঞান-অন্বেষণৰ আদি-অন্ত নাছিল। এই বৃদ্ধ অৱস্থাতো দেশৰ বিভিন্ন প্ৰান্তত পৰিভ্ৰমণ কৰি, অনুন্নত, পদলিত জাতিসমূহক—যি জাতিসমূহ অগ্ৰণীহঁতৰ দ্বাৰা আক্ৰান্ত—তেওঁলোকৰ জীৱনৰ ৰেহ-ৰূপ জানিবলৈ দিনে-নিশাই প্ৰচণ্ড শ্ৰম কৰি থাকিল। জীৱনৰ শেষ কালছোৱাত এই জ্ঞান অন্বেষণ তথা এই পবিত্ৰ ভ্ৰমণৰ কালত বহুতেই তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। কিন্তু দিনৰ পাছত দিন ধৰি বুদ্ধৰ এই প্ৰভাৱ দেৱদত্তৰ অসহ্য হৈ উঠিল।

সমাজত সদায় দুটা ধাৰা থাকে। তেতিয়াৰ দিনতো গৌতম বুদ্ধৰ বিৰুদ্ধবাদীহঁত নথকা আছিল। এই বিৰুদ্ধবাদীহঁতে বুদ্ধক নগণ্য, তেওঁৰ বাণীসমূহক অবাস্তৱ আৰু তেওঁক একেবাৰে হেয় প্ৰতিপন্ন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

'কল্কি-অৱতাৰ'

এদিন দেৱদত্তই বুদ্ধক ক'লেহি, "তুমি অহিংসা-বাণী প্ৰচাৰ কৰি আছা, বৰ ভাল কথা। কিন্তু তোমাৰ শিষ্যইঁতে তোমাৰ কথা মানি চলিছেনে? সংসাৰৰ সকলো ধৰণৰ মায়াৰ বন্ধন ছিন্ন কৰাত তুমি সততে ব্যস্ত। কিন্তু তোমাৰ শিষ্যইঁতে তাকে কৰিব পাৰিছেনে? তুমি এইবোৰ কথাত কিছুমান কঠোৰতম নিয়ম বান্ধি নিদিয়া কেলেই? তোমাৰ সেই নিয়মক কোনেই উলংঘা নকৰিব বুলি কটকটীয়াকৈ আদেশ জাৰি কৰিবা।"

গৌতম বুদ্ধই ক'লে, "দেৱদত্ত, মোৰ শিষ্যসকলক মই অহিংসাৰ বাটেৰে খোজ ল'বলৈ বাধ্য নকৰোঁ। পেটৰ ভোক গুচাবলৈ বহুতেই বহুতো কিবকিবি খায়, জানাই। যি পায়—তাকে খায়। ধনী মানুহে বাছি-বিচাৰি খাব পাৰে; কিন্তু দুখীয়াই তো নোৱাৰে। মানুহক সেৱা কৰা হ'ল মোৰ ধৰ্ম। অসংখ্য মানুহে ভিক্ষা কৰি খাদ্য সংগ্ৰহ কৰে। যিয়ে দিয়ে—ভিখাৰীয়ে সন্তুষ্ট চিত্তেৰে তাকে খায়। 'তোমালোকে কেৱল নিৰামহী খাবা' বুলি মই সকলোকে ক'ব নোৱাৰোঁ। বৌদ্ধ কিয়নো, ভিক্ষুসকলো ভিক্ষাৰ ওপৰতে নিৰ্ভৰশীল।"

"তুমি আচৰিত কথাবোৰ ক'লা দেখোন। যি পাব তাকে খাব—এয়েনে তোমাৰ শিষ্যইঁতৰ পবিত্ৰ জীৱনযাপনৰ নিয়ম? তুমি আকৌ এইবোৰ বৰাই কৰিহে কৈছা!" দেৱদত্তই ক'লে।

বুদ্ধই হাঁহি মাৰি ক'লে, "চোৱাঁ, কোনে কি খাই জীৱনধাৰণ কৰিব সেই কথাত মই মূৰ নঘমাওঁ। ভিক্ষুসকলৰ ওচৰত উচ্চ-নীচ জাতিভেদ আদি চিন্তাৰ যোগ্য বিষয় নহয়। ভিক্ষুৰ ওচৰত এই বিৰাট পৃথিৱীৰ সকলো সমান।"

দেৱদত্তই বুদ্ধৰ লগত আৰু তৰ্ক চলাই থাকিব নোৱৰা হ'ল। তেতিয়া দেৱদত্ত পোনে পোনেই জীৱকৰ ওচৰলৈ গ'ল।



দেৱদত্তই জীৱকক ক'লে, "বুদ্ধক মই বুজিকে নাপাওঁ। তাৰ যথেষ্ট বয়স হ'ল, বুঢ়া হ'ল সি। কিন্তু এতিয়ালৈকে৷ তাৰ ঘূৰা-ফুৰাৰ অন্ত নপৰিল। একেবাৰে অস্পৃশ্য নীচ জাতৰ সৈতেও সি হলিগলি কৰি ফুৰিছ, সিহঁতকো শিষ্য কৰি লৈছে। এনেদৰে চলি থাকিলে আগলৈ উচ্চবৰ্ণৰ লোকসকলৰ মান-মৰ্য্যাদা বোলা একো নাথাকিব। অন্যায়কাৰীয়ে কেতিয়াও তাৰ অন্যায় বুজি নাপায়। এতিয়া বুদ্ধৰ এই প্ৰভাৱৰপৰা মানুহক ৰক্ষা কৰাটোহে আমাৰ একমাত্ৰ কৰ্তব্য। আৰু এই পৰম পবিত্ৰ তথা বাঞ্ছিত কাৰ্য্যৰ বাবে প্ৰয়োজন হ'লে স্বয়ং বুদ্ধক ইহলোকৰপৰা পৰলোকলৈ পঠোৱাৰো বন্দৱস্ত এতিয়াই কৰিব লাগিব।"

জীৱক নিজেই আছিল সমাজৰ পিছপৰা অনুন্নত মানুহৰ এজন। বৌদ্ধ ধৰ্মৰ প্ৰতি তাৰ আছিল অগাধ বিশ্বাস। তেওঁ আছিল বুদ্ধৰ একান্ত অনুগত তথা বিশ্বস্ত সহচৰ আৰু শিষ্য আৰু বুদ্ধক জীৱকে দেৱতা ৰূপে জ্ঞান কৰিছিল।

কিন্তু তথাপি দেৱদত্তই জীৱকক বহু বিধৰ কথাৰ ৰকলা মেলি জীৱকক বুদ্ধ-বিৰোধী কৰি তুলিবলৈ বিভিন্ন কৌশল আৰু বাক্যজালেৰে চেষ্টা চলাই থাকিল।

দেৱদত্তই জীৱকক ক'লে "বুদ্ধৰ কথা যে সঁচা নহয়, গোটেই মিছা, তুমি জানানে? সি মুখেৰে যি কয়, কামৰ বেলিকা তেনেকুৱা নকৰে। তোমালোকে যিবোৰ খাদ্য খোৱা, বুদ্ধই নিজে কিন্তু সেইবোৰ কেতিয়াও নাখাব। মোৰ কথাত যদি তুমি পতিয়ন যোৱা নাই, নিজেই এই কথা পৰীক্ষা কৰি চাব পাৰা।"

দেৱদত্তৰ কথা শুনি জীৱকে এদিন বুদ্ধক তেওঁৰ ঘৰত আহাৰ কৰাৰ বাবে নিমন্ত্ৰণ কৰিলে আৰু বুদ্ধয়ো জীৱকৰ আমন্ত্ৰণ গ্ৰহণ কৰিলে।

নিৰ্দিষ্ট দিনত বুদ্ধ জীৱকৰ ঘৰলৈ



গ'ল। জীৱক শশব্যস্ত হৈ পৰিল। সি যে বুদ্ধক ক'ত বহিবলৈ দিব, কেনেকৈ কিহেৰে আদৰিব তাকে ভাবি নোপোৱা হ'ল। তেওঁৰ মনৰ অৱস্থাৰ উমান লৈ বুদ্ধই জীৱকক ক'লে, "জীৱক, মোৰ কাৰণে আছুতীয়াকৈ একো কৰিব নালাগে। তুমি যি খাদ্য খাবা, ময়ো তাকে খাম। তুমি যিবোৰ বস্তু নোখোৱা, সেইবোৰ বস্তু মোকো খাবলৈ নিদিবা।"

জীৱকে অতি সাধাৰণ খাদ্য বুদ্ধক খাবলৈ দিলে আৰু বুদ্ধয়ো জীৱক-প্ৰদত্ত সেইবোৰ খাদ্য তৃপ্তিৰে খালে।

বুদ্ধৰ শৰীৰ সিমান ভাল হৈ থকা নাছিল আৰু বাৰ্ধক্যজনিত কাৰণে তেওঁৰ খাদ্য 'জীৰ্ণ' যোৱাৰ ক্ষমতাও যথেষ্ট পৰিমাণে কমি আহিছিল। জীৱকে গৌতম বুদ্ধক মাংস খুৱাইছিল আৰু সেই মাংস বৰ ভাল মংস নাছিল।

খোৱা-বোৱাৰ পাছত বুদ্ধই জীৱকক আশীৰ্বাদ কৰি গুচি গ'ল। বুদ্ধ গুচি যোৱাৰ পাছত জীৱকৰ মনত অপৰাধ-বোধৰ সৃষ্টি হ'ল। জীৱক দস্তুৰমত অনুতপ্ত হৈ উঠিল কুখাদ্য খুউৱাৰ কাৰণে।

জীৱকৰ ঘৰত খোৱা খাদ্যৰ ক্ৰিয়াই বোধিসত্বক অসুস্থ কৰি তুলিলে। দিনে দিনে তেওঁৰ দেহ টুটি আহিল।

বুদ্ধ যেতিয়া শেষ শয্যাত শায়িত, তেতিয়া বুদ্ধৰ শিষ্যসকলে তলমূৰ হৈ তেওঁৰ চাৰিওফালে নীৰৱে বহি আছিল। তাত তেতিয়া জীৱক, আৰু দেৱদত্তো বহি আছিল নীৰৱ-নিস্তব্ধভাৱে। সময়ে মানুহক উপলব্ধিৰ ক্ষমতা দিয়ে। সময়ৰ লগে লগে দেৱদত্তো অনুতপ্ত হৈ উঠিল। দেৱদত্ত আৰু জীৱকে বুদ্ধৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে।

জীৱক আৰু দেৱদত্তৰ চকু-মুখৰ অৱস্থা দেখি বুদ্ধই ক'লে, "তোমালোকে কিহলৈ ইমান চিন্তা কৰিছা? মানুহৰ জন্মৰ লগে লগে মৃত্যুও আছে। মোৰ নিৰ্বাণ-


Sankar



লাভত তোমালোকে সহায় কৰিছা, তাৰ বাবে মই কৃতজ্ঞ। নিৰ্বাণলাভ চকুৰে দেখা নাপাম। জীৱন-পোহৰ নুমাই যোৱাৰ অন্তত তাৰ জ্যোতিঃ যে ক'লৈ যায়—তাৰ অন্বেষণত মই আগ্ৰহী।"

যিজন দেৱদত্ত গৌতম বুদ্ধৰ ঘোৰ বিৰোধী আছিল, সেইজন দেৱদত্তই বুদ্ধৰ চৰণত প্ৰণাম কৰিবলৈ ধৰোঁতেই বুদ্ধই দেৱদত্তক বুকুত আঁকোৱালি লৈ ক'লে, "দেৱদত্ত, যিজনে নিজৰ বুদ্ধিবৃত্তিক মানৱ-সেৱালৈ উছৰ্গা কৰে—তেৱেঁই বুদ্ধ। মই তো চিৰকাললৈ জীয়াই নাথাকোঁ। এতিয়া মই য'ত আছোঁ, এদিন তাতে অধিষ্ঠিত হ'বা তুমি। আমাৰ সহোদৰ আনন্দ আমাৰ লগতে আছে। মোক অনুসৰণ কৰাৰ যোগ্যতা আনন্দৰো আছে। আনন্দই সৰ্বসুখ তিয়াগি ভিক্ষু হ'ল। মোক অনুসৰণ কৰিবলৈ হ'লে বৌদ্ধধৰ্ম গ্ৰহণ কৰাঁ, বৌদ্ধ সংঘক উজ্জীৱিত কৰি তোলাঁ।" এই বুলি কৈ, বুদ্ধই দেৱদত্তৰ মস্তকত হাত থৈ আশীৰ্বাদ কৰিলে।

দেৱদত্তৰ দেহ-মন ৰোমাঞ্চিত হৈ উঠিল। দেৱদত্তই আৱেগত আপ্লুত হৈ কৈ উঠিল: 'বুদ্ধং শৰণং গচ্ছামি, ধৰ্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি।"

দেৱদত্তই পুনৰ ক'লে, "হে ভগৱান বুদ্ধ! মানুহো যে দেৱতা হ'ব পাৰে তাৰ প্ৰমাণ তুমি। মানৱজগতক ধৰ্ম-পথেৰে চালিত কৰাৰ ক্ষমতা তোমাৰ আছে।" এই বুলি কৈ, দেৱদত্তই বুদ্ধক প্ৰণাম কৰিলে।

এই দিনটোও আছিল ব'হাগী-পূৰ্ণিমাৰ দিন। পূৰ্বদিগন্তত উদীয়মান জ্যোতিৰ মাজত গৌতম বুদ্ধ লীন হ'ল।

বুদ্ধৰ মৃত্যুৰ পাছত, বুদ্ধ-প্ৰৱৰ্তিত ধৰ্ম দিক-দিগন্তলৈ প্ৰসাৰিত আৰু প্ৰচাৰিত হৈ থাকিল। দিগন্তৰপৰা দিগন্তলৈ পূৰ্ণচন্দ্ৰৰ প্ৰকাশ পৰিব্যাপ্ত হৈ পৰিল। বুদ্ধৰ দেহান্তৰ পাছত বৌদ্ধধৰ্মৰ সূত্ৰাৱলী

অধিকভাৱে অনুসৃত হ'বলৈ ধৰিলে। 'দেৱতা'ৰ কল্পনাৰ বিৰোধী বুদ্ধ নিজেই দেৱতা হিচাপে আৰাধ্য হৈ পৰিল।

বুদ্ধৰ সম্পৰ্কে ইমানলৈকে কোৱাৰ অন্তত সূতই বুদ্ধাৱতাৰৰ কথা সাংগ কৰি 'কল্কি-অৱতাৰ'ৰ সম্পৰ্কে ক'বলৈ ধৰিলে ঃ

সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলিযুগ। এই চাৰি যুগেৰে মহাযুগৰ সৃষ্টি। নিৰ্দিষ্ট সময়ত, অৰ্থাৎ তিনিটা যুগৰ অন্তত কলিযুগৰ আবিৰ্ভাৱ।



'ঈশ্বৰ সঁচাকৈয়ে আছেনে— ?' মানুহৰ মনত বাৰে বাৰে এই প্ৰশ্ন উত্থিত হয়। লগে লগে আন পক্ষয়ো প্ৰশ্ন কৰে— 'মানুহ আছেনে ?'

একৰপৰা অনেক, অনেকৰপৰা এক— এয়ে হ'ল যুগৰ লীলা। ভিন্ন ভিন্ন মানুহৰ স্বতন্ত্ৰ সত্বা আছে, আছে নিজস্ব পৰিচয়। কিছুমান মানুহ জাত-পাত লৈ ব্যস্ত। কিছুমান হিংসাৰ চৰ্চ্চাত ব্যস্ত। আকৌ কিছুমানে জীৱনৰ প্ৰয়োজনত অহিংসাৰ আচৰণো কৰি আছে।

কেতিয়াবা কেতিয়াবা ৰক্ষকেই ভক্ষক হয়গৈ। কেতিয়াবা কেতিয়াবা মানুহৰ আচৰণ পশুতকৈয়ো বেয়া হৈ উঠে।

যিসকলৰ বুদ্ধি আছে, সিসকলৰ মনত বিশ্বাস নাই। যিসকলৰ মনত বিশ্বাস আছে, সিসকলৰ সেই বিশ্বাসৰ গুৰিত বুদ্ধি নাই। বিৱৰ্তন নিৰন্তৰ চলি আছে। প্ৰকৃতিৰ অমোঘ নিয়মত বৈপৰীত্যৰ মাজতো ঐক্যৰ স্ফুৰণ দেখা যায়।

এনে ধৰণৰ এক অৱস্থাত দুৰ্জনইতক নাশ কৰিবলৈ আৰু সুজনসকলক ৰক্ষা কৰিবলৈ স্বয়ং বিষ্ণু কল্কি-অৱতাৰ ৰূপে আবিৰ্ভূত হ'ব।

এটি শিশু কল্কি-অৱতাৰ ৰূপে জন্ম ল'ব। এই শিশুৱে অশ্বৰ ওপৰত উঠি ধূমকেতুৰ দৰে আকাশপথেৰে পৃথিৱীলৈ তীব্ৰ গতিৰে আহি থাকিব।

সেই শুভ্ৰ বৰণৰ অশ্বৰ ওপৰত অধিষ্ঠিত

আকাশলংঘা তৰৱাৰি হাতত লৈ দুষ্টক দমন আৰু শিষ্টক পালন কৰিবলৈ কল্কিৰূপী বিষ্ণু আহিব। বিৰাট এক সংহাৰমূলক ঘটনাৰ অন্তত এই পৃথিৱীত কেৱল কিছুমান প্ৰকৃত সৎ মানুহ বৰ্তি থাকিব অনাগত কাললৈ।

কল্কি-অৱতাৰৰ তীব্ৰ তীক্ষ্ণ জ্বালাময়ী ৰূপ দেখি আৰু তাৰ নিৰ্মমতম ব্যৱহাৰ লক্ষ্য কৰি অসংখ্য দুষ্ট মানুহ পলাই সাৰিবলৈ চেষ্টা কৰিব। কিন্তু সিহঁতে পলাই সাৰিব নোৱাৰে। কল্কি-অৱতাৰৰ দণ্ড সিহঁতে ল'বই লাগিব। আৰু সেই দুৰ্য্যোগপূৰ্ণ অৱস্থাৰ মাজতো প্ৰকৃত সৎ মানুহসকল আনন্দ মনেৰে বসবাস কৰিব।

কল্কি-অৱতাৰৰ অন্তত বিশাল বিশ্বত নামি আহিব এক নতুন যুগ।

ভূ-দেৱীয়ে বিষ্ণুৰ ওচৰত নিজৰ ভাৰ লাঘৱ কৰিবলৈ অনুৰোধ জনাইছিল আৰু বিষ্ণুও প্ৰতিজ্ঞাবদ্ধ আছিল ভূদেৱীৰ ভাৰ লাঘৱ কৰিবলৈ। এই বিষয়ত বিষ্ণুক নাৰদমুনিয়ে সহায় কৰিছিল।

পৃথিৱীত যাতে অত্যাচাৰ, অনাচাৰ, অধৰ্ম নাথাকে; পৃথিৱীত যাতে শান্তি স্থাপিত হয়, তাৰ বাবে কলিযুগৰ অন্তত আন এটি যুগৰো আৰ্বিৰ্ভাৱ ঘটিব। এই যুগৰ লগত কলিযুগৰ সম্পৰ্ক নাথাকিব। এই যুগত 'সত্য' হ'ব শেষ কথা।

'বিষ্ণুৰ আন এক পৰিচয়—বিষ্ণু হ'ল বৰ্ণনাতীত। অপৰূপৰ স্বৰূপ হ'ল বিষ্ণু। এই যে মহাকাল—এই মহাকালৰ অন্তহীন শেষ ৰূপ হ'ল বিষ্ণু। বিষ্ণু হ'ল মহাবিশ্বৰ পৰিপূৰ্ণ ৰূপ। একমাত্ৰ 'কালে'হে বিষ্ণুক অনুধাৰন কৰাব পাৰে, আগন্তুক দিনৰ মহাবিশ্বই বিষ্ণুৰ পৰিপূৰ্ণ ৰূপ অনুধাৰন কৰাব পাৰে।"

ইমানলৈকে কোৱাৰ অন্তত মহৰ্ষি সূতই দশাৱতাৰসম্পন্ন পৰম পৱিত্ৰ 'বিষ্ণুকথা' সামৰিলে। [অন্ত]

অন্তিম বাসনা

জগদীশ নামৰ এজন ধনী মানুহ আছিল। তেওঁ বহু দিন ধৰি অসুস্থ। তেওঁৰ পুত্ৰ পৰিবাৰ একো নাছিল। আছিল মাত্ৰ এজন ভাগিনল'ৰা। তাৰ নাম মদন। জগদীশৰ আলপৈচান ধৰাটোৱেই আছিল মদনৰ একমাত্ৰ কাম।

জগদীশৰ চিকিৎসকে এদিন জগদীশক ভালকৈ পৰীক্ষা কৰি চোৱাৰ অন্তত মদনক ক'লে, "তোমাৰ মামাৰ অৱস্থা ভাল নহয়। এতিয়া তেওঁ অচেতন হৈ আছে, কেতিয়া যে চেতনা ঘূৰি আহিব ক'ব নোৱাৰোঁ। চেতনা ঘূৰি অহাৰ পাছত তুমি এই বড়ি দুটা তেওঁক খুৱাব', হয়তো উপকাৰ হলেও হ'ব পাৰে।"

চিকিৎসক গুচি যোৱাৰ পাছত জগদীশে লাহে লাহে ক'লে, "ধন-সম্পদ গোটোৱাতকৈয়ো ৰক্ষা কৰ টোহে অধিক যন্ত্ৰণাদায়ক।" এনেবোৰ প্ৰলাপ বকি আছিল জগদীশে।

মদনে জগদীশৰ কথা শুনি অসন্তুষ্ট হৈ যেন ক'লে, "মামা, সেইবোৰ এতিয়া নবকিলেও হ'ব। তোমাৰ শেষ ইচ্ছা—মানে—অন্তিম বাসনা কিবা আছে যদি কোৱাঁ—মই তোমাৰ অন্তিম বাসনা পূৰণ কৰিবলৈ চেষ্টা কৰিম।"

জগদীশে অলপ নিতাল মাৰি থকাৰ পাছত ক'লে, "সেই চিকিৎসকে তোমাক দুটা বড়ি দিছিল নহয়? সেই বড়ি দুটা মোৰ মুখৰ ভিতৰত পেলাই দিয়া। আৰুনো বাসনা কি থাকিব? এয়ে মোৰ অন্তিম বাসনা।" অজ্ঞান জগদীশৰ সজ্ঞান কথা শুনি মৰ্মাহত মদন ৰ' লাগি চাই ৰ'ল।

জ্ঞানোদয়

কোনো এখন গাঁৱত আবছুল ৰছুল নামৰ এটি ল'ৰা আছিল। সি আছিল তাৰ মাক-দেউতাকৰ একমাত্ৰ সন্তান। সিহঁত আছিল বৰ দুখীয়া। তাৰ দেউতাকে হাড়ভঙা খাটনিৰে কথমপি সংসাৰ চলায়।

আবছুলৰ বয়স যেতিয়া যোল্ল হ'ল, তেতিয়া তাৰ মাক ঢুকাল। মাক ঢুকোবাৰ ছমাহ পাৰ নৌহওঁতেই তাৰ আব্বা-জানৰো ইন্তেকাল হ'ল। এইদৰে, ছমাহৰ ভিতৰতে মাক-দেউতাক হেৰুৱাই আবছুল অসহায় হৈ পৰিল। নগৰত কাম কৰিলে ঢেৰ পইচা পাতি পোৱা যায় বুলি। শুনি সি নগৰলৈ বুলি খোজ ল'লে।

নগৰলৈ যোৱাৰ প্ৰায় লগে লগেই এগাকী উদাৰচিতীয়া বেপাৰীৰ ওচৰত সি নওক্‌ৰি (চাকৰি) এটা পাই গ'ল। এনেকৈ, একেৰাহে দহবছৰ ধৰি কাম কৰাৰ পাছত বেহা-বেপাৰৰ বিষয়ে তাৰ অভিজ্ঞতা হ'ল আৰু সি ভাবিলে: মোৰ যিখিনি ব্যৱসায়িক অভিজ্ঞতা হৈছে, এই অভিজ্ঞতাৰ ভিত্তিত মই নিজৰ গাঁৱলৈ গৈ সকুস্থৰা ব্যৱসায় কৰিব পাৰোঁ দেখোন। —আবছুলক তাৰ গৰাকীয়ে দৰমহা ভালেই দিছিল। তাৰ দৰমহাৰ ৰূপৈয়াখিনি সি সাঁচিছিল দহবছৰ ধৰি। এই কাৰণেই তাৰ মনত বেহা-বেপাৰ কথাই ভুমুকি মাৰিলে কিজানি। সি তাৰ মনৰ কথা গৰাকীক ক'লে আৰু গৰাকীয়ে সানন্দে সন্মতি দিলে।

তাৰ পাছত আবছুল ৰছুল টকাৰ টোপোলাৰে সৈতে নিজ গাঁৱলৈ উভতি যাবলৈ ধৰিলে। নগৰৰপৰা গাঁৱলৈকে

'আৰবদেশৰ দাস্তাঁ (সাধু)'

খোজ কঢ়াৰ ফলত বৰ ভাগৰি পৰিছিল। জিৰণি লোৱাৰ মন; কিন্তু খেজুৰ গছৰ বাহিৰে আন গছ-গছনি বাটত নাই। সি খেজুৰ এজোপাৰ তলতেই বহি দিলে।



এনেতে এজন মানুহক ঘোঁৰাত উঠি অহা দেখা পালে সি। সি মানুহজনক সুধিলে, "তুমি ক'লৈ যাবানো?"

মানুহজনে ঘোঁৰা ৰখাই ক'লে, "সৌ—গাঁওখন পাৰ হৈ এখন নগৰ আছে, মই সেই গাঁৱলৈ যাবলৈ ওলাইছোঁ। মই তাতে নওক্‌ৰি কৰোঁ।"

মানুহজনৰ কথা শুনি আবদুলে উৎসাহেৰে ক'লে, "সেই গাঁৱত থকা চৰাইখানাৰ মালিকজন হ'ল মোৰ বন্ধু। তুমি এই টকাৰ টোপোলাটো যদি তেওঁক দিব পাৰা, মোৰ বৰ উপকাৰ হ'ব। তালৈ যাওঁতে মোৰ ৰাতি হ'ব। মই এই গধুৰ টোপোলাটো আৰু কঢ়িয়াব নোৱাৰিছোঁ। মই চৰাইখানাৰ মালিকৰপৰা টোপোলাটো খুজি লৈ যাম। তুমি ঘোঁৰাত উঠি যোৱা দেখিহে তোমাক এই কথা কৈছোঁ, টোপোলাটো কঢ়িয়াই লৈ যাবলৈ অনুৰোধ কৰিছোঁ, বেয়া নোপোৱা যেন।"

আবদুলৰ কথাৰ উত্তৰত মানুহজনে ভাবি থাকিল: টকাৰ টোপোলাটো কঢ়িয়াওঁতে তোমাৰ যদি ইমানেই কষ্ট হৈছে, মোৰ ঘোঁৰাটোৰ কষ্ট নহ'বনে? "মই এই টোপোলা লৈ যাব নোৱাৰিম, বেয়া নাপাবা।" এই বুলি কৈ, মানুহজনে ঘোঁৰা চেঁকুৰাই গুচি গ'ল!

কিন্তু কিছুদূৰলৈ যোৱাৰ পাছত মানুহজনে ভাবি থাকিল: টকাৰ টোপোলাটো মই কিয় নল'লোঁ? ইমান মূৰ্খালী কিয় কৰিলোঁ মই? টোপোলাটো চৰাইখানাৰ মালিকক যে দিবই লাগিব—আল্লাহ-তাল্লাহ্‌ই তেনেকুৱা কথা কৈ দিয়া নাই নহয়? টকাৰ টোপোলাটো চৰাই-খানাৰ মালিকক দিয়াৰ সলনি মই নিজে ৰাখি থ'লে কোনখন আকাশনো মোৰ

মূৰত ভাগি পৰিলহেঁতেন? সি মূৰুখে মোক আৰু কেনোদিনে বিচাৰি উলিয়াব পাৰিলেহেঁতেননে? মই নিশ্চয় ধৰা নপৰিলেনহেঁতো। —এইবোৰ কথা ভাবি সি পুনৰ দ্ৰুত গতিৰে ঘোঁৰা চেঁকুৰাই আবদুলৰ কাষ চাপিল।

তিমানতে আবদুলৰ মনতো প্ৰশ্ন জাগিল: সঁচ্চা, মোৰ লাওখোলাত মগজু বোলা পদাৰ্থ দেখিছোঁ নায়েই। মইনো কাৰবাৰ চলাম কেনেকৈ? দহবছৰ ধৰি খাটি, বিলাসিতা নকৰি যিখিনি ৰূপেয়া সাঁচিলোঁ, এজন একেবাৰে অচিনাকি মানুহক দিবলৈ ওলাইছিলোঁ কিয়? সি টকাখিনি লৈ পলাই যোৱাহেঁতেন মই বাৰু কি কৰিব পাৰিলোহেঁতেন? মই বাস্তৱিকতেই এটা মূৰ্খ—জধোমূৰ্খ এটা।

এইবোৰ কথা চিন্তা কৰি থাকোঁতেই সেই মানুহজনে আবদুলক ক'লেহি, "দোস্ত, তুমি মোৰ পৰা যিকণ সহায় খুজিছিলা, সেইকণ সহায় কৰাটো মোৰ উচিত তথা কৰ্তব্য আছিল। মই তোমাৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ বাবে দুঃখিত। এতিয়া—দিয়া টোপোলাটো, মই চৰাই-খানাৰ মালিক দিম। দিয়া টোপোলাটো।"

আবদুলে মিচিকীয়াই হাঁহি মাৰি ক'লে, "মেৰে দোস্ত, তুমি তেনেকৈ গুচি যোৱাৰ পাছত মই ভাবি চালোঁ যে—কষ্টকৈ হ'লেও নিজৰ টোপোলা নিজেই বহন কৰা উচিত। আচলতে—মই একো ভবা-গুণা নকৰাকৈয়েই তোমাক অযথা কষ্ট দিবলৈ ওলাইছিলোঁ। এতিয়া, মই নিজেই মোৰ টোপোলাটো কঢ়িয়াই লৈ যাম বুলি স্থিৰ কৰিছোঁ।"

দুয়োজনেই দুয়োজনৰ মনৰ কথা বঢ়িয়াকৈ বুজি পালে। ঘোঁৰাত উঠা মানুহজন হতাশ হ'ল আৰু তলমূৰ হৈ তাৰপৰা লাহে-ধীৰে গুচি গ'ল আবদুলৈলৈ এবাৰো ঘূৰি নোচোৱাকৈ।

বিষাল বুদ্ধি

বীৰেন আৰু সুৰেনৰ মাজত দুয়োজনেই দুয়োজনক বৰ বুদ্ধিমান বুলি ভাবে আৰু এই কথাত সদায় তৰ্কাতৰ্কি কৰে। এইবাৰ দিলীপক সিহঁতে এই কথাৰ বিচাৰৰ ভাৰ দিলে।

দিলীপে ক'লে, "মই তোমালোকক এটা প্ৰশ্ন কৰিম। এই প্ৰশ্নৰ উত্তৰ এজনে দিব পাৰা যদি এজনক বুদ্ধিমান বুলি ক'ম। এজনেও যদি উত্তৰ দিব নোৱাৰা—দুয়োজনকে মূৰ্খ বুলি ক'ম। আৰু তেতিয়া মইহে হ'ম তোমালোকতকৈ বুদ্ধিমান। মোৰ এই প্ৰস্তাৱ মানি লৈছানে?"

"এই প্ৰস্তাৱ মই মানি নলওঁ।" এই বুলি কৈয়েই সুৰেন তাৰপৰা গুচি গ'ল।

"দেখিলানে? তোমালোকৰ মাজত যে সুৰেনেই বেছি বুদ্ধিমান সেই কথাত সন্দেহ নাই। কিয়নো—মই নিজেও উত্তৰ নজনা প্ৰশ্ন এটা তোমালোকক কৰিম বুলি ভাবিছিলোঁ। সেই প্ৰশ্নৰ উত্তৰ তোমালোকে কেতিয়াও দিব নোৱাৰিলাহেঁতেন। তাৰ ফলত, তোমালোকতকৈ মইহে বুদ্ধিমান হৈ পৰিলোহেঁতেন। তুমি ধৰিব নোৱাৰিলা, সুৰেনে কিন্তু মোৰ মতলব ধৰি পেলালে।" দিলীপে ক'লে বীৰেনক।

বীৰেনে সুৰেনক ক'লেগৈ, "দিলীপে ক'লে যে তোমাৰ আৰু মোৰ মাজত তুমিহে বেছি চালাক, তথা বুদ্ধিমান।"

সুৰেনে ক'লে, "আচলতে—হঠাৎ মোৰ পেটৰ বিষ উঠিছিল। কিয় যে তেতিয়াই পেটৰ বিষ উঠিল মই ক'ব নোৱাৰোঁ। পিছে পেটৰবিষ উঠাৰ কথা নকৈ আজেবাজে কথা এষাৰ কৈ মই তাৰপৰা গুচি আহিলোঁ, আৰু দিলীপে মোকেই বৰ চালাক বুলি ভাবিলে।"

"হা বে! পেটৰ বিষ মোৰো সদায় উঠে; কিন্তু সময়মতে নুঠে। সময়মতে পেটৰ বিষ উঠাহেঁতেন দিলীপে মোকেই বেছি বুদ্ধিমান বুলি ভাবিলেহেঁতেন।" বীৰেনে ক'লে।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : হুটা

দ্বিতীয় ফটো : মিঠা

পুৰস্কাৰ পাওঁতা : কুঞ্জকিশোৰ বৰুৱা, দেওহাটী. গোৱালপাৰা।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, . Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

NP

Dubbleyum

PRESENTS

A NEW WORLD OF LOVE & ADVENTURE
FUN & FROLIC!

Look for the LUCKY COUPON in
NP Dubbleyum Packet

COLLECT

One latest comic book
for **12** lucky coupons
or
The latest edition of
Enid Blyton or
Mills & Boon novel
for **30** lucky
coupons

DOUBLE COLOURS
DOUBLE FLAVOURS
DOUBLE SIZE AND
BIGGER BUBBLES

NP Dubble yum
SOFT & JUICY BUBBLE GUM

The National Products
BANGALORE-32

NOTHING CAN BEAT A NP BURST OF FROLIC

Statement about ownership of CHANDAMAMA (Assamese) Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. *Place of Publication*
   'CHANDAMAMA BUILDINGS'
   188 N.S.K. Salai
   Vadapalani, Madras-600 026

2. *Periodicity of Publication*
   MONTHLY
   1st of each calendar month

3. *Printer's Name* B.V. REDDI

   Nationality INDIAN

   Address
   Prasad Process Private Limited
   188 N.S.K. Salai, Vadapalani
   Madras-600 026

4. *Publisher's Name*
   B. VISWANATHA REDDI

   Nationality INDIAN

   Address
   Chandamama Publications
   188 N.S.K. Salai, Vadapalani
   Madras-600 026

5. *Editor's Name* B. NAGI REDDI

   Nationality INDIAN

   Address
   Chandamama Buildings
   188 N.S.K. Salai, Vadapalani
   Madras-600 026

6. *Name & Address of individuals who own the paper*
   'CHANDAMAMA CHILDREN'S TRUST FUND

Beneficieries:
1. B.V.L. ARATHI
2. B.V. SHARATH
3. B.N. RAJESH
4. B. ARCHANA
5. B.N.V. VISHNU PRASAD
6. B.L. ARADHANA
7. B. NAGI REDDI (JR)

All Minors, by Trustee, M. UTTAMA REDDI
14 V.O.C. Street, Madras-600 024

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

B. VISWANATHA REDDI
Signature of the Publisher

1st March 1985

COME HOME TO HERITAGE

FEBRUARY ISSUE
NOW ON STANDS

From the publishers of Chandamama

THE HERITAGE

It's worth preserving. Every issue of it.

Single Copy Rs. 6.00
Annual Subscription Rs. 72.00

For subscriptions: **DOLTON AGENCIES,**
188 N.S.K. Salai, Vadapalani, Madras - 600 026



চকোলেটৰ মজা ভৰা সকলোৰে মন হৰা!
nutrine
chocolate
Eclairs
more milk
more butter
more chocolate
nutrine Eclairs
nutrine Eclairs
প্ৰতি,
nutrine
CLARION/NC/84210/ASS
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট


মিঠা আৰু নিমখীয়াৰ-এক অপূৰ্ব্ব মিলন।
পাৰ্লে
কোনোৱে কয় ই মিঠা
কোনোৱেবা কয় ই নিমখীয়া
কিন্তু সকলোৱে এককণ্ঠে কয় ই
সোৱাদ লগা, মচমচীয়া আৰু
চোবাই ভাল লগা
Krackjack
PARLE
BISCUITS
কেৱল এইটো পেকেটহে
কিয়নো ক্ৰেকজেক
কেতিয়াও খোলা বিক্ৰী নহয়
কেতিয়াও নহয়।
বিশ্ব বাছনি-পৰীক্ষা
পুৰস্কাৰ বিজয়ী
পাৰ্লে ক্ৰেকজেক বিস্কুত
-এটি মিঠা আৰু নিমখীয়া সোৱাদৰ আকৰ্ষণ।
everest/84/PP/33-as